চান্দমামা

মার্চ ১৯৮৬

“যিদিনা মই মোৰ প্ৰথম শালমন আৱিষ্কাৰ কৰিলো...
সেইদিনাই মই আৱিষ্কাৰ কৰিলো ক্লিয়াৰেচিল।”

সেই দিনটোৰ কথা মোৰ আজিও মনত পৰে। মনত কিমান যে উৎকণ্ঠা...মোৰ বাইদেউৰ বিয়ালৈ আৰু মাথো এসপ্তাহ আছে। আৰু মই নতুন কাপোৰেৰে সাজি-কাচি দাপোণৰ আগত ঠিয় দিলো। কিন্তু ই কি...মোৰ গালত এয়া কিহৰ দাগ...ইযে শালমন। ই আছিল মোৰ প্ৰথম শালমন। কিন্তু এই সময়ত...নাই নাই, এতিয়াতো ওলাব নালাগিছিল।

সেই সময়তে সোমাই আহে বাইদেউ, মোৰ মুখলৈ চায়। তেওঁ কলে “হেৰ’ পাগলী, এই বয়সত সকলোৰে শালমন ওলায়। মোৰো ওলাইছিল, সেয়ে মই লগালো ক্লিয়াৰেচিল। তয়ো লগোৱা উচিৎ।” মই তাকেই কৰিলো। আৰু কি জানে? সুফলো পালো। এতিয়া আৰু মই কব নালাগে যে বিয়াখন মই ভালদৰেই উপভোগ কৰিলো।

ক্লিয়াৰেচিলে
শালমন পৰিষ্কাৰ
কৰাত সহায়
কৰে আৰু
ই বিয়াপি
পৰাটোও
ৰোধ কৰে।

CBM/5687/AS

ক্লিয়াৰেচিল

শালমনৰ বিশেষজ্ঞ যি সঁচাকৈয়ে প্ৰভাৱশালী

নতুন যেন বগা !
POWER PACKED
Surf
washes whitest...
keeps clothes like new!
চাৰ্ফ
বাৰে বাৰে ... বাৰে বাৰে !
পাৱাৰ পেকড চাৰ্ফ 'এ নতুনৰ দৰে বগাকৈ ধোৱে!
কামিজেই বোলক বা চাদৰ – সকলোবোৰেই স্নিগ্ধ বগা, এনে নতুন যেন লাগে ঠিক যেন কিনি আনি খুলিছেহে ।
কিয়নো পাৱাৰ পেকড চাৰ্ফ আগতকৈও বহু বেছি উন্নত, আগতকৈও বহু বেছি ফেনায় ।
চাৰ্ফ হ'ল অধিক শক্তিশালী যি ঠুপ খাই থকা মলিও উলিয়াই আনি কাপোৰক অধিক সুৰক্ষা যোগায় যাতে নতুনত্ব বহু দিনলৈ অক্ষুন্ন থাকে ।
হয় বগা কাপোৰ, ৰঙীন কাপোৰ, দিনটোৰ কাৰণে বিশেষ কাপোৰ চাৰ্ফ'এ সকলোবোৰ কাপোৰেই দেখাত নতুন কৰি ৰাখে...চাৰ্ফ।
চাৰ্ফৰ ধোৱন সবাতোকৈ বগা... কাপোৰ দেখাত সদায় নতুন।
লিভাৰৰ-উৎকৃষ্ট উৎপাদন
LINTAS SU 331 2116 AS

Will you be there

Puri. The temple of Lord Jagannath. Garland around her neck and vermillion on her forehead, the 9-year-old bride of the Lord pledges her faith to Him amidst all the pomp and ceremony of a true Oriya wedding. No longer an ordinary girl, she is now the earthly consort of Puri Jagannath ...

The fascinating story of the dasis of Puri. Watch it come alive in the pages of the Heritage.

The Heritage: magazine or mini library?

The Heritage is an amazing storehouse of information: every issue is a unique compilation of facts that answer some of the most intriguing questions.

How were black ants used in ancient surgery?

Why do the Charans of Rajasthan worship rats?

What light does Ramanujam's 'lost notebook' throw on Number Theory?

And more ...

Fascinating articles month after month, on every aspect of Indian culture. Stories about the land, its history, its people, their customs, their arts and crafts ...

Travelogues that capture the spirit of little known places and exotic lands.

From the publishers of Chandamama



for the Devadasi wedding?

Updates and flashbacks on science and technology.

Lucid articles that interpret Indian mythology and philosophy in terms the modern reader can understand.

All of which makes the Heritage a fascinating way to catch up with the past and the present.

A fiction bonanza in every issue

Every issue of the Heritage carries at least three short stories and a novelette, written by some of the most well known contemporary fiction writers. Ruskin Bond. Edith Pargeter. Manoj Das. And the best of Indian language fiction, translated to keep the flavour of the original.

A galaxy of well-known authors

The Heritage carries articles by some of the most famous names in contemporary Indian literature and journalism. Regular contributors include

Mulk Raj Anand.
M N Das.
M P Pandit.
K A Abbas.

And an expert panel of academicians who are authorities in their fields.

Start your Heritage library today

The Heritage now offers readers a unique money-back subscription scheme. Fill in the coupon below and enclose your annual subscription with it. If you are not satisfied with the first issue, please return it to us with your comments within ten days, and we will refund your money in full.

Yes, I want to start my Heritage collection right away. I am enclosing a DD/MO for Rs 72/- towards annual subscription.

Name : ....

Address : ....

....

Mail your subscription to : **Dolton Agencies, 188 N.S.K. Salai, Vadapalani, Madras 600 026.**

CMP-1825

চান্দমামা

মাৰ্চ ১৯৮৬

এই সংখ্যাত আছে

*

অস্বা : ১০
বুকুৰ বেমাৰ : ১১
মেকুৰীৰ মেৰ পাক : ১৬
কাঁহৰ কিল্লা : ১৯
ঈশ্বৰৰ অস্তিত্ব : ২৭
হিচাপ : ৩৩
আমাৰ দ'ল-দেৱালয় ৩৫
টকাৰ টাকুৰী ৩৯
শিৰ-পুৰাণ ৪৩
অতৰ্কী মহিমা ৪৯
চাণক্য চৰিত ৫৩
শাস্তি হ'ল ছাদী ৫৯

*

লগতে

অমৰবাণী, চান্দমামাৰ খুতুৰা-খবৰ, পশু-পক্ষী-কথা ইত্যাদি।

চান্দমামা

সংস্থাপক: চক্রপাণি

সঞ্চালক: বি নাগিৰেড্ডি

ঈশ্বৰৰ অস্তিত্বৰ অকাট্য প্ৰমাণ বিচাৰি পাইছিলনে পূৰ্ণচন্দ্ৰই? এইবাৰৰ 'বেতাল-কথা'ত এই প্ৰশ্নৰ উত্তৰ পোৱা যাব। 'কাঁহৰ কিল্লা'লৈ আৰু বৰ বেছি দূৰ নাই। এই সংখ্যাৰ 'কাঁহৰ কিল্লা' পঢ়িলেই মৃত-নগৰী পাৰ হৈ কিল্লালৈ যাব পৰা হ'ব। আৰু যে অমৰদেশৰ অতুলনীয় গল্প! এই সংখ্যাত ওলোৱা 'শাস্তি হ'ল ছাদী' পঢ়িলেই এই মন্তব্যৰ যথাৰ্থতা ওলাই পৰিব। আৰু অসমৰ মইনাইতৰ অতিকৈ' মৰমৰ 'চান্দমামা'ৰ দশম বছৰৰ শেষ সংখ্যাটি সকলোফালেৰেপৰাই অৱৰ্ণনীয়

অমৰ-বাণী

দ্ৰব্যম্ লব্ধম্ দ্যূতেনৈব দাৰামিত্ৰম্ দ্যূতেনৈব।
দত্তম্ ভুক্তম্ দ্যূতেনৈব সৰ্বম্ নষ্টম্ দ্যূতেনৈব॥

[জুৱাখেল খেলি ধন আৰ্জিব পাৰি, পত্নী, বন্ধু গোটাব পাৰি, ধাৰ দিব পাৰি, ভোগও কৰিব পাৰি; আকৌ জুৱাখেল খেলি সৰ্বনাশকো মাতি আনিব পাৰি।]

বছৰ: ১০ মাৰ্চ' ১৯৮৬ সংখ্যা: ১২

খনে: ২.৫০ টকা: বছৰেকীয়া বৰঙণি: ৩০.০০ টকা

A CHANDAMAMA PUBLICATION

চান্দমামা

চিত্তাকর্ষক আৰু জ্ঞানবৰ্ধক উৎকৃষ্ট মাহেকীয়া

* চান্দমামাই পুৰাণ আৰু সাহিত্যৰ শ্ৰেষ্ঠ ৰচনাসমূহক সুষ্ঠুভাৱে প্ৰকাশ কৰে।
* চান্দমামাই উদাৰ দৃষ্টিভংগীৰে আৰু সহজতম ভাষাৰে বিশ্ব-সাহিত্য পৰিবেশনা কৰে।
* চান্দামামাই সহজ-সৰল-নিৰ্মল বৰ্ণনাৰ যোগেদি পাঠক-পাঠিকাৰ আনন্দবৰ্ধন কৰাৰ লগে লগে জ্ঞানৰ সমলো যোগায় আৰু তাৰ ফলত পাঠক-পঠিকাৰ উৎসাহো বৃদ্ধি পায়।
* চান্দমামাই পুৰাণ-গাথাসমূহৰ সৈতে প্ৰামাণ্যভাৱে পাঠকক চিনকি কৰাই দিয়ে।
* শিশু তথা চেমনীয়াসকলৰ বাবে প্ৰকাশিত চান্দমামাই সিহঁতৰ প্ৰাণত আনন্দ তথা উদ্দীপনা কঢ়িয়াই আনে।
* চান্দমামা কেৱল আপোনাৰ নহয়, আপোনাৰ আত্মীয়-স্বজন, বন্ধু-বান্ধৱসকলৰো এক অপৰিহাৰ্য্য পাঠ-মাধ্যম। চান্দমামা নিজে পঢ়ক, আনলৈকো উপহাৰ দিয়ক।

তেৰটা ভাষাত চান্দমামা প্ৰাকাশিত হয়। আপুনি নিম্নলিখিত যিকোনো ভাষাৰ চান্দমামাৰ গ্ৰাহক হ'ব পাৰে:

তেলুগু, তামিল, হিন্দি, ইংৰাজী, অসমীয়া, গুজৰাটী, কন্নড়, মালয়ালম, মৰাঠী, ওড়িয়া, বাংলা, পঞ্জাবী আৰু সংস্কৃত ভাষাত চান্দমামা প্ৰকাশিত হয়।

চান্দমামাৰ বছৰেকীয়া বৰঙণি ৩০·০০ টকা মাথোন।

আপুনি কোন ভাষাৰ চান্দমামা ল'ব—তাৰ উল্লেখ কৰি, তলৰ ঠিকনালৈ টকা পঠাওক:

ডল্টন এজেন্সিজ

চান্দমামা বিল্ডিংছ, ভাদাপালানি, মাদ্ৰাজ-৬০০ ০২৬

চান্দমামাৰ খুতুৰা-খবৰ

টাইটানিকৰ টিংটিঙনি

১৯১২ চনৰ ১৫ এপ্ৰিল বিশ্বৰ অন্যতম ডাঙৰ জাহাজ টাইটানিক সাগৰত তল গ'ল। জাহাজত থকা ২২২৪ জন যাত্ৰীৰ মাজত ১৫১৩ জন সাগৰত ডুবিল। এক জাহাজ অনুসন্ধানী সস্থাই কৈছে যে, জাহাজখন উত্তৰ আটলাণ্টিক সাগৰৰ আঢ়ৈ মাইল গভীৰ পানীৰ তলত আছে।

'স্যামন্ত'হীৰা

বিশ্বশান্তি প্ৰতিষ্ঠাৰ বাবে আমেৰিকাৰ 'সমন্ত' নামৰ ছাত্ৰী এজনীয়ে কছ নেতৃবৃন্দলৈ এখন চিঠি লিখি পঠিয়াইছিল। ছাত্ৰীজনীৰ নাম আছিল সামন্ত। এই চেমনীয়া ছাত্ৰীজনীৰ মনোভাৱত মুগ্ধ হৈ কছ নেতৃবৃন্দই ১৯৮৩ চনত স্যামন্তক কছদেশলৈ আমন্ত্ৰণ জনাইছিল। ১৯৮৫ চনত এক বিমান দুৰ্ঘটনাত সামন্তৰ মৃত্যু হ'ল। এই ছোৱালীজনীৰ স্মৃতিত ছাইবেৰিয়াত প্ৰাপ্ত ডাঙৰ আকাৰৰ হীৰা এটুকুৰাৰ নামকৰণ কৰা হৈছে—স্যামন্তহীৰা।

চলন্ত পৰ্বত



পাকিস্তানৰ আলন্ চান্নাৰ কাৰণে সম্প্ৰতে নিউৰ্কত ট্ৰাফিক জ্যামৰ সৃষ্টি হৈছিল। তেওঁ গৈ থকা বাটত হাজাৰ হাজাৰ মানুহ থিয় হৈ পৰিছিল তেওঁক চাবলৈ। আঠ ফুট তিনি ইঞ্চি ওখ এই মানুহজন বাটেদি গৈ থাকিলে এটা বিৰ ট আকাৰৰ চলন্ত পৰ্বত যেনহে লাগে। নিউৰ্কৰ এই ঘটনাটো টেলিভিজনত তোলা হৈছে।

জানিবলগীয়া

১। ভাৰত মহাসাগৰৰ আটাইতকৈ ডাঙৰ দ্বীপটোৰ নাম কি?

২। ভূমধ্য সাগৰৰ আটাইতকৈ ডাঙৰ দ্বীপ?

৩। ১৯৬১ চনৰ ভূইকঁপৰ ফলত দক্ষিণ আটলাণ্টিক সমুদ্ৰৰ কোনটো দ্বীপৰ সকলো অধিবাসীক স্থানান্তৰিত কৰা হৈছিল?

৪। ফিজিত কিমান সংখ্যক দ্বীপ আছে?

৫। ফিলিপাইনছ ৰিপাবলিকত অন্তৰ্ভূক্ত দ্বীপৰ সংখ্যা কিমান?

[উত্তৰ : ৬৫নং পৃষ্ঠাত]

অম্বা

কাশীৰ ৰজা হোত্ৰবাহনৰ তিনিগৰাকী জীয়েক আছিল। এওঁলোকৰ নাম যথাক্ৰমে অম্বা, অম্বিকা, আৰু অম্বালিকা। বিবাহৰ বয়সত হ'ল ৰজা হোত্ৰবাহনে তিনিওজনীৰ বাবে স্বয়ম্বৰসভা পাতিলে।

ভায়েক বিচিত্ৰবীৰ্য্যৰ হৈ স্বয়ম্বৰ সভাত উপস্থিত হৈ, ভীষ্মই প্ৰত্যেকজন ৰাজকোঁৱৰক পৰাজিত কৰি অম্বা, অম্বিকা, আৰু অম্বালিকাক হস্তিনাপুৰলৈ লৈ গ'ল।

হস্তিনাপুৰত ভৰ দিয়েই অম্বাই ক'লে যে তাই ইতিমধ্যেই শাল্বক বৰণ কৰি লৈছিল; কিন্তু ভীষ্মই তাইৰ হাতত ধৰাত আৰু অপহৰণ কৰাত শাল্বই তাইক বিবাহ নকৰালে।

উপায়হীন অম্বা শাল্বৰপৰা উপেক্ষিতা হৈ, উভতি আহি, ভীষ্মক ক'লে তাইক বিবাহ কৰাবলৈ। কিন্তু অম্বাক বিবাহ কৰোৱাত ভীষ্ম মান্তি নহ'ল। অৱশেষত গুৰু পৰশুৰামে নিৰ্দেশ দিয়া সত্বেও ভীষ্মই প্ৰতিজ্ঞা ভংগ কৰি বিবাহ নকৰালে অম্বাক।

তেতিয়া, প্ৰতিশোধ ল'বলৈ অম্বাই শিৱলৈ ঘোৰ তপস্যাত মগ্না হ'ল। তাইৰ কঠোৰ তপস্যাত মুগ্ধ হৈ শিৱে এই বৰ দিলে যে অহা জনমত তাইৰ ইচ্ছা পূৰণ হ'ব।

শিৱৰ বৰৰ প্ৰভাৱত অম্বাই দ্ৰুপদৰজাৰ জীয়ৰীৰূপে জন্ম ল'লে। সৰুৰেপৰাই তাই বিভিন্ন বিদ্যা অধ্যয়ন তথা চৰ্চা কৰাত লাগিল। মহাভাৰতৰ যুদ্ধৰ কালত যক্ষৰ অনুগ্ৰহত পুৰুষৰ লক্ষণসমূহ অৰ্জন কৰি তাই হ'ল শিখণ্ডী।

কুৰুক্ষেত্ৰৰ যুদ্ধত অৰ্জুনে শিখণ্ডীক দেখা পাই ভাবিছিল: শেহলৈ এগৰাকী নাৰীক বধ কৰিমনে?". এই কথা ভাবি ভীষ্মই অস্ত্ৰ ত্যাগ কৰিছিল। আৰু ঠিক সেই মুহূৰ্ততে অৰ্জুনে ভীষ্মক আক্ৰমণ কৰিলে। এইদৰেই অম্বাই প্ৰতিশোধ লৈছিল।



বুকুৰ বেমাৰ

দেউতাক স্বৰ্গী হোৱাৰপাছত গিৰিকুমাৰে বাধ্যত পৰি নগৰলৈ বুলি খোজ ল'লে। চাকৰি এটা তাক যেনেতেনে লাগেই। বহুদূৰলৈকে আগবাঢ়ি যোৱাৰ অন্তত এজোপা গছৰ তলত বহি থকা বুঢ়া মানুহ এজনে গিৰিক সুধিলে, "বোপা, নগৰলৈ বুলি ওলাইছানে কি? মই বুকুৰ বেমাৰী, গতিকে— গাড়ী-ছাড়ী এখনত উঠি যাব পৰাহেঁতেন—। ভাড়া-ছাড়া ময়েই দিম, পিছে লগত কোনোবা কুনুবি থাকিলে বৰ ভাল হ'ব।"

"ঠিক আছে, একো ভাবিব নালাগে ককা, মই তোমাক লৈ যাম।"

অলপ পাছত এখন গৰুৰ ভাড়ী পাই, দুয়ো গাড়ীখন ভাড়ালৈ ল'লে। বুঢ়া মানুহজনে গিৰিকুমাৰক ক'লে, "বোপাহে, বেয়া নোপোৱা যদি—মোৰ এই বাকচটো অলপ উঠাই দিয়াচোন গাড়ীত। মই বুকুৰ বেমাৰী—বোপাইহে—"

গিৰিয়ে বুঢ়াৰ হাতত ধৰি প্ৰায় দাংকোলাকৈ উঠাই দিলে আৰু নিজেও বহিলে। গৈ গৈ গাড়ীখনে নগৰ পালেগৈ, আৰু নগৰৰ দুৱাৰমুখতে ৰাজপ্ৰহৰীহঁতে গাড়ীখন পৰীক্ষাৰ বাবে ৰখালে।

বৃদ্ধই বিনীত কণ্ঠেৰে প্ৰহৰীহঁতক ক'লে, "চোৱাঁ, মই বুকুৰ বেমাৰী। নগৰলৈ গৈ আছোঁ—চিকিৎসকক দেখুৱাম বুলিহে। ইয়াত পলম হ'লে তেওঁ ক'ৰবালৈ ওলাই যাব পাৰে। তেতিয়া মোৰ বিপদ হ'ব।"

"ঠিক আছে, আমি এতিয়াই তোমালোকৰ বয়-বস্তুখিনি পৰীক্ষা কৰি এৰি দিম প্ৰহৰীহঁতে বাকচটোৰ তলা

ৰামেশ্বৰ ভট্টাচাৰ্য্য

খুলি দিবলৈ ক'লে।

বৃদ্ধই টপৰাই কৈ উঠিল, "এই বাকচটো 'মোৰ নহয়, এই ল'ৰাটোৰহে।"

বুঢ়াৰ কথাত অবাক মানি গিৰিয়ে গিৰিসাই উঠি ক'লে, "তাৰ মানে— ?"

বুঢ়াই গিৰিক ক'লে, "বেছি বকৰ বকৰ নকৰি চাবিপাত দিয়া, তলা খুলি চাওক তেওঁলোকে।"

"ককা, তোমাৰ বাকচৰ চাবি মইনো ক'ৰপৰা আনি দিম ?" গিৰিয়ে অবাক হৈ সুধিলে বুঢ়াক।

"ক'ৰপৰা আনি দিবা—তুমিহে ক'ব পাৰিবা। বাকচ যাৰ চাবি তাৰ, এই কথা পৰিষ্কাৰ।" বুঢ়াই নিৰ্লিপ্তভাৱে ক'লে।

গৰুৰ গাড়ীৰ গাৰোৱানে গিৰিকুমাৰক ক'লে, "বাকচৰ চাবি তেওঁলোকক দিয়ক। মই আপোনালোকক নগৰত নমাই থৈ গধূলিৰ আগে আগে উভতি যাম। আন কাম আছে মোৰ।"

গাড়ীৰ চালকে বাকচটো গিৰিকুমাৰৰ বুলিহে ভাবিছিল, কিয়নো বুঢ়াৰ অনুৰোধত গিৰিকুমাৰেহে বুঢ়াৰ এই বাকচটো গাড়ীত উঠাই দিছিল।

গাড়ীৰ চালকৰ কথা শুনি আৰু চালাক বুঢ়াৰ ভাৱ-ভংগী দেখি গিৰিকুমাৰ যেনিবা অঠাই পানীত পৰিল। এনেতে অধৈৰ্য্য ৰাজপ্ৰহৰীহঁতে বাকচৰ তলাটো ভাঙি পেলালে। বাকচৰ ভিতৰত এসোপা আওপুৰণি কাপোৰ-কানি আৰু এটা টোপোলা আছিল। প্ৰহৰীহঁতে টোপোলাটো খুলিলে। টোপোলাটোৰ ভিতৰত আছিল ভালেখিনি সোণৰ গহনা।

প্ৰহৰীহঁতে গিৰিকুমাৰক গবা মাৰি ধৰি ক'লে, "এই সোণৰ গহনা ক'ৰপৰা পাইছা ? তুৰন্তে কোৱা। নহ'লে মাৰিবা। এয়া নিশ্চয় জমিদাৰ ডাঙৰীয়াৰ ঘৰৰপৰা চুৰি হোৱা মাল।"

গিৰিকুমাৰে প্ৰহৰীহঁতক ক'লে, "চাওক, মই চোৰ নহওঁ, এই বাকচটোও মোৰ



নহয়। এই বাকচটো এই বুঢ়া মানুহজনৰহে। আপোনালোকে দয়া কৰি মোৰ কথা বিশ্বাস কৰক।"

বুঢ়াই খঙতে একোনাই হৈ কৈ উঠিল, "মুখ চম্ভালি কথা ক'বি হাৰামী চোৰ ক'ৰবাৰ! মোৰ দৰে বুঢ়া মানুহ এজনক তই এনে অপবাদ দিছ—ইমানেই কলিকাল হ'লনে? এই বুঢ়া বয়সত মই চুৰি কৰিম কিয় ক'চোন? ক'। বয়সিয়ালসকলৰ সৈতে কেনেকৈ আৰু কেনেকুৱা মাত মাতিব লাগে বোল বুলিব লাগে—তাকো নিশিকালেনে তোক তোৰ মাৰ-বাপেৰে?"

বুঢ়া আৰু যুৱাৰ বাচ্যাবাচ্যি শুনি ৰাজপ্ৰহৰীহঁতে ফোচফোচাই উঠি ক'লে, "ঠিক আছে, তোমালোকৰ মাজত কাৰ কথা সঁচা—আমাৰ জানন্তা কতোৱালে সেই কথাৰ বিচাৰ কৰিব। গতিকে, এতিয়াই কতোৱালৰ ওচৰলৈ ব'লা।" এই বুলি কৈ, প্ৰহৰীহঁতে গিৰিকুমাৰক লগতে বুকুৰ বেমাৰী আৰু বুঢ়াকো ধৰি লৈ গ'ল কতোৱালৰ ওচৰলৈ।

গাৰোৱান আছিল কতোৱালৰ চিনাজনা মানুহ। কতোৱালে গাৰোৱানক গুচি যাবলৈ ক'লে, আৰু তাৰ পাছত বুঢ়া আৰু গিৰিকুমাৰক সুধিলে, "বাকচটো তথা চুৰিৰ মালখিনি যে কাৰ—তোমালোকে নক'লেও মই প্ৰমাণ কৰিব পাৰিম। যি কি নওহক, তোমালোকক বন্দী কৰা হ'ল। তোমালোকৰ মাজত চোৰ কোন—ৰাতি পুউৱাৰ আগতেই প্ৰমাণ পোৱা হ'ব তাৰ।"

ৰাতিৰ পৰতে, গোস্ত-ৰোটি (মাংস রুটি) খাই থাকোঁতে কতোৱালে এই বাকচটোৰ বিষয়ে গভীৰভাৱে ভাবি আছিল। গভীৰ চিন্তাত বুৰ যোৱা দেখি কতোৱালৰ বিবিয়ে (পত্নীয়ে) চিন্তাৰ কাৰণ সোধাত কতোৱালে তেওঁৰ বিবিক ক'লে, "মই--জীৱনতো ইমান সমস্যাত

সাঙোৰ খাই পৰা নাই। এটা বাকচত এটোপোলা সোণৰ গহনা। মানুহ দুজন, এজন যুৱক, আৰু এজন বুঢ়া। এই দুজনৰ ভিতৰত চোৰ কোন—বাকচটো যে কাৰ—ভাবি উলিয়াব পৰা নাই। প্ৰমাণ বিনে বুঢ়া মানুহ এজনক চোৰ বুলি ক'ব নোৱাৰোঁ। প্ৰমাণ বিনে এজন যুৱককো চোৰ বুলি কোৱাটো অন্যায় কথা।" কতোৱালে ঘটনাটো তাৰ বুদ্ধিমতী বিবিক বিবৰি ক'লে।

বিবিয়ে অলপ ভাবি লৈ ক'লে, বিষয়টোক বিৰাট কিবা এটা বুলি ভাবিহে আপুনি ইমান চিন্তাত পৰিছে। আচলতে—এই সমস্যাৰ সমাধান তেনেই সহজ। এটা কাম কৰক—।" এই বুলি কৈ, কি কাম কেনেকৈ কৰিব লাগিব কৈ দিলে।

পাছদিনা, বিচাৰালয়লৈ বুলি ওলোৱাৰ আগে আগে কতোৱালে গিৰিকুমাৰক ক'লে, "আমাৰ প্ৰহৰীহঁতে তোমাক ভুলকৈ বন্দী কৰিলে। জমিদাৰ ডাঙৰীয়াৰ ঘৰত চুৰি কৰা চোৰটো গহনাৰে সৈতে ধৰা পৰিল। গতিকে—তোমাক বেকছুৰ খালাছ কৰা হ'ল।" কতোৱালে বাকচটো গিৰিকুমাৰক দিলে।

গিৰিকুমাৰে ক'লে, "চাওক, বাকচটো মোৰ নহয়। মই আকৌ কৈছোঁ, বাকচটো সেই বুঢ়া মানুহজনৰ। তথাপিনো মোক কিয় দিছে বাকচটো?"

"গাড়ীৰ চালকৰ কথা মতে—বাকচটো তোমাৰহে। যাৰ বস্তু তাক ওভোতাই দিয়াটোহে আমাৰ কৰ্তব্য। তুমি বাকচটো লোৱা, আৰু এই মুহূৰ্ততে ইয়াৰপৰা গুচি যোৱা।" কতোৱালে ক'লে।

বাধ্যত পৰি বাকচটো লৈ গুচি যোৱাৰ লগে লগে কতোৱালে বুঢ়াক ক'লেহি, "নিৰ্দোষীক দণ্ডদান আমাৰ নীতিবিৰোধী কাম। আপুনি বা সেই যুৱকো যে প্ৰকৃত চোৰ নহয়, আমি সেই

কথাৰ দেখ দেখ প্ৰমাণ পোৱা হৈছোঁ। আপুনি এতিয়া মুক্ত।"

কতোৱালৰপৰা বিদায় লৈ বৃদ্ধ তৎক্ষণাৎ ওলাই গুচি গ'ল। গৈ গৈ ৰাজআলিৰ এদাঁতিত বাকচটোৰে সৈতে গিৰিকুমাৰক বহি থকা দেখি বুঢ়াই গিৰিক ডাবি মাৰি ক'লেগৈ, "পাজী বদমাছ ক'ৰবাৰ—দুহ হাজাৰ মুদ্ৰা দামৰ গহনাখিনি মাৰি দিব পাৰিবা বুলি ভাবিছিলা, নহয়?"

গিৰিকুমাৰে সহজভাৱেই ক'লে, "তোমাৰ বাট চাইহে ইয়াত বৈ আছোঁ। এই বাকচত থকা গহনা চুৰিৰ মাল নহয় বুলি কোতোৱালে কোৱা সত্বেও তুমি যে কিয় বাকচটো তোমাৰ নহয় বুলি কৈছিলা—মই একদম বুজা নাই। যি কি নহওক, এতিয়া তোমাৰ বাকচটো তুমি লৈ যোৱা। চাকৰি বিচাৰি ওলাই মিছামিছিকৈ তোমাৰ কুটবুদ্ধিৰ চকৰিত সাঙোৰ খাই পৰি মোৰ সময় নষ্ট হ'ল।" এই বুলি কৈ বাকচটো বুঢ়াক দি, গিৰিকুমাৰে খোজ ল'লে।

ঠিক তেতিয়াই বুঢ়াৰ পিছফালৰপৰা কতোৱালে বুঢ়াক কৈ উঠিল, "ৰ'বা, তোমাৰ বুকুৰ বেমাৰ ভাল হৈ গ'লনে? এই বাকচত এতিয়া আৰু গহনা নাই, আছে ফটাকানিহে।" কতোৱালে প্ৰহৰী-হঁতক ক'লে, "এই বুঢ়া হ'ল দগধা চোৰ। ইয়াক ফাটেকত ভৰাই থোৱা।"

কতোৱালে গিৰিকুমাৰক ক'লে, "তুমি যে সত্যবাদী, সেই কথাত আমাৰ সন্দেহ নাই। আমাৰ ছুলতানে তোমাৰ দৰে সৎ মানুহ এজনক চাকৰিত মকৰল কৰিবলৈ আদেশ দিছে। তুমি সন্মতনে বাৰু।"

"চাকৰি বিচাৰি ওলাইহে বুঢ়াৰ পাপৰ চকৰিত সাঙোৰ খাই পৰিছিলোঁ! আপুনি মোক চাকৰিত লোৱাত মই আপোনাৰ ওচৰত কৃতজ্ঞ।" গিৰিয়ে ক'লে।

মেকুৰীৰ মেৰপাক

দেশৰ নাম শ্ৰীপুৰ। শ্ৰীপুৰৰ দূৰদৰ্শী মহামন্ত্ৰী যেতিয়া ভগ্নস্বাস্থ্য হৈ পৰিল, তেতিয়া ৰজা বিদ্যাধৰে মহামন্ত্ৰীক ক'লে, "আপোনাৰ স্বাস্থ্য দিনে দিনে বেয়ালৈ চাল লোৱা দেখি মই চিন্তিত হৈ পৰিছোঁ। আপুনি সচল থাকোঁতেই কোনোবা এজনক আপোনাৰ পদত নিযুক্ত কৰিবনেকি সেই কথাটো ভাবি চাব বুলি আশা কৰিছোঁ। কিন্তু মোৰ এই কথা শুনি আপোনাক মই পদচ্যুত কৰা বুলি নাভাবিব যেন। আপোনাক পদচ্যুত বা অপসাৰিত কৰাৰ ইচ্ছা মোৰ সমূলি নাই বুলি জানিব।"

মহামন্ত্ৰীয়ে ৰজাৰ কথা মানি লৈ, মন্ত্ৰীৰ পদত যোগ্য প্ৰাৰ্থী বিচাৰি ঘোষণা কৰিলে। বহু সংখ্যক প্ৰাৰ্থী উপস্থিত হ'ল, আৰু শেহলৈ তিনিজন প্ৰাৰ্থীক বাছি লোৱা হ'ল। প্ৰাৰ্থী তিনিজন, কিন্তু পদ এটা। গতিকে এই তিনিজনৰ মাজত এক প্ৰতিযোগিতা পতা হ'ল। স্বাভাৱিকভাৱেই, এই প্ৰতিযোগিতাত যিজন বিজয়ী হ'ব' তেওঁক এই বিৰাট দেশৰ মহামন্ত্ৰীৰ পদ দিয়া হ'ব। এই অভিনৱ প্ৰতিযোগিতাৰ কথা সমগ্ৰ দেশত আলোচিত তথা দেশখনো আলোড়িত হৈ থাকিল।

এই তিনিজনৰ নাম যথাক্ৰমে বিনয়, চন্দ্ৰকান্ত আৰু শ্ৰীধৰ। মহামন্ত্ৰীয়ে প্ৰকাশ্য ৰাজসভাত তিনিওকো এজনীকৈ মেকুৰী পোৱালি দি ক'লে, "এই মেকুৰী তিনি মাহ ধৰি তোমালোকে পোহ-পাল কৰিবা। এই কামৰ খৰচ হিচাপে ৰাজ-

আনন্দ মহন্ত



কোষৰপৰা প্ৰতিজনে এহেজাৰকৈ সোণৰ মুদ্ৰা পাবা। ঠিক তিনি মাহৰ অন্তত, চতুৰ্থ মাহৰ প্ৰথম দিনাই তোমালোকে এই ৰাজসভাত নিজ নিজ মেকুৰী লৈ আহিবা আৰু পালনৰ বিবৰণ বিবৰিবা।"

তিনি মাহৰ অন্তত বিনয়, চন্দ্ৰকান্ত আৰু শ্ৰীধৰে নিজ নিজ মেকুৰী লগত লৈ নিৰ্দিষ্ট দিনত ৰাজসভালৈ লৈ আহিল।

বিনয়ৰ মেকুৰীজনী বেছ শকত-আৱত হৈ উঠিছিল। ৰাজসভাৰ বহুতেই ক'লে, "দেখাত বাঘৰ পোৱালি যেনহে লাগিছে।" শ্ৰীধৰৰ মেকুৰীজনী আছিল সাধাৰণ। পিছে—চন্দ্ৰকান্তৰ মেকুৰীজনী একেবাৰে পৰি মৰা বিধৰ। কোনে কেনেকৈ মেকুৰীকেইজনী প্ৰতিপাল কৰিছিল, সেই অভিজ্ঞতাৰ কথা ৰাজসভাত ক'বলৈ মহামন্ত্ৰীয়ে তিনিওকো ক'লে।

বিনয়ে ক'লে, "মেকুৰীজনীক দিনে ছয়-সাতবাৰকৈ গাখীৰ মাছ আৰু অন্যান্য বস্তু খুৱাইছিলোঁ। এই বাবদে পাঁচশ সোণৰ মুদ্ৰা খৰচ হ'ল, বাকীখিনি এয়া লওক।" বিনয়ে পাঁচশ সোণৰ মুদ্ৰা মহামন্ত্ৰীক ঘূৰাই দিলে।

তাৰ পাছত শ্ৰীধৰে ক'লে, "মই এইজনীক মোৰ এক বন্ধুৰ দোকানত থৈছিলোঁ, কিয়নো, তাৰ দোকানত বৰ এন্দুৰৰ উৎপাত। মেকুৰীজনীয়ে তাত এন্দুৰ ধৰি-মাৰি খাইছিল। মাজে-মধ্যে মই তাইক গাখীৰো খুৱাইছিলোঁ। এই তিনিমাহত তাইৰ বাবদে খৰচ হ'ল এশ সোণৰ মুদ্ৰা।" শ্ৰীধৰে নশ সোণৰ মুদ্ৰা ঘূৰাই দিলে মহামন্ত্ৰীক।

চন্দ্ৰকান্তই ক'লে, "মই মেকুৰীজনীক অতি ঘৰুৱাভাৱে পুহিছিলোঁ। মেকুৰী কোনো বিশেষ উপকাৰী প্ৰাণী নহয়। এতেকে—এনেকুৱা প্ৰাণীৰ বাবদে ধন খৰচ কৰাটো অৰ্থহীন। আমাৰ ঘৰতে আছিল তাই, আৰু আমাৰ ঘৰেৰ এৰেহা খাইছিল। তাইক আছুতীয়াকৈ একো

মুখুউৱা বাবে আপোনাৰ প্ৰদত্ত সোণৰ মোহৰ এটাও খৰচ হোৱা নাই। মেকুৰীৰ কাৰণে সোণৰ মোহৰ খৰচ কৰাৰ কোনো যুক্তি বিচাৰি পোৱা নাছিলোঁ মই।” চন্দ্ৰকান্তই সোণৰ মুদ্ৰা ওভোতাই দিলে।

চন্দ্ৰকান্তই যে মন্ত্ৰীৰ পদ পাব সেই সেই কথাত সকলোটি নিঃসন্দেহ হ'ল। কিন্তু মহামন্ত্ৰীয়ে প্ৰকাশ্য ৰাজসভাত ৰজাক ক'লে, “মহাৰাজ, দেশৰ মহামন্ত্ৰী হোৱাৰ যোগ্যতা একমাত্ৰ শ্ৰীধৰৰহে আছে।”

মহামন্ত্ৰীৰ কথাত ৰজা বিদ্যাধৰ আৰু সভাস্থ আন সকলোটি হতবাক হোৱালৈ লক্ষ্য কৰি মহামন্ত্ৰীয়ে ক'লে, “বিনয়ে মেকুৰীজনীৰ বাবদে পাঁচশ সোণৰ মুদ্ৰা খৰচ কৰিলে। এই খৰচ অবিবেচিত খৰচ। কিয়নো, এন্দুৰ চিকাৰ কৰাৰ বাহিৰে মেকুৰীৰে আন কোনো কাম নহয়।

“এইবাৰ কওঁ চন্দ্ৰকান্তৰ কথা। মেকুৰীজনীক পোহ-পাল দিয়াৰ ক্ষেত্ৰত তাৰ কটকিনা স্বভাৱৰ কথা ওলাই পৰিল। তাৰ দয়া-মায়া বোলা পদাৰ্থো নাই। মেকুৰীজনী আধামৰা হৈ কথমপিহে জীয়াই আছে, যিকোনো মুহূৰ্তত মৰিব পাৰে। ইমান কৃপণ আৰু নিমৰমিয়াল মানুহ এজমক প্ৰধানমন্ত্ৰীৰ বাব দিব নোৱাৰি।

“এই পৰীক্ষাত শতকৰা এশভাগ উত্তীৰ্ণ হ'ল শ্ৰীধৰ। বন্ধুৰ দোকানত থৈ দিয়াত মেকুৰীজনীক মেকুৰীজনীয়ে আটাইতকৈ ভাল খাদ্য খাবলৈ পোৱা হ'ল। লগতে জোখে-জোখাৰে গাখীৰো খাবলৈ দিছিল শ্ৰীধৰে। অৰ্থাৎ প্ৰয়োজন মতে খৰচ কৰাৰ মন আছে শ্ৰীধৰৰ, আকৌ পৰৰ পাই জ্বৰৰ গাৰে ধোঁৱা-খুলীয়াৰ দৰে ধন উৰোৱাৰ অভ্যাসো নাই। এতেকে—মই শ্ৰীধৰক এই দেশৰ প্ৰধানমন্ত্ৰী প্ৰতাটো যোগ্য বুলি ভাবোঁ।”

ৰাজসভাস্থ ব্যক্তিবৰ্গ তথা ৰজায়ো বিজ্ঞ মহামন্ত্ৰীৰ প্ৰস্তাৱ মানি ল'লে।

১৫

ৰজা শিৰসিংহই চন্দ্ৰবৰ্মাক এগৰাকী মহাতান্ত্ৰিক বুলি ভাবিছিল। চন্দ্ৰবৰ্মাই সেই আৰণ্যক বৃদ্ধ তথা দেৱলৰ দেউতাকৰপৰা কাঁহৰ কিল্লালৈ যোৱাৰ মানচিত্ৰ লৈছিল আৰু তাৰ পাছত শিৰসিংহ ৰজাৰ অনুচৰইতৰ লগ লাগি শিৰসিংহৰ প্ৰাসাদ পাইছিলগৈ। 'মহাতান্ত্ৰিকৰ জয় হওক'— ধ্বনিৰ মাজত চন্দ্ৰবৰ্মা অতিপাত আচৰিত আৰু আপ্লুত হৈ শিৰসিংহৰ প্ৰাসাদৰ অনতিদূৰত ৰ'লহি।

আৰু তাৰ পাছত………

চন্দ্ৰবৰ্মাই দেখিলে যে সেই দেশৰ ৰজা স্বয়ং শিৰসিংহ, তেওঁৰ মন্ত্ৰীবৰ্গ আৰু সভাসদগণো ৰাজপ্ৰাসাদৰ আগত তেওঁক আদৰণি জনাবলৈ উপস্থিত হৈছেহি। ঘোঁৰাৰ পিঠিৰপৰা নামি ৰজা শিৰসিংহৰ কাষ চাপি অহাৰ পাছত ৰজাই চন্দ্ৰবৰ্মালৈ সাদৰ অভ্যৰ্থনা জ্ঞাপন কৰি ক'লে, "হে চন্দ্ৰবৰ্মা, সমগ্ৰ পৃথিৱীত, কোনো দেশত কোনো কালে ইমান কম বয়সত ইমান ডাঙৰ তান্ত্ৰিক কোনেও দেখা নাছিল।

আৰু ভৱিষ্যততো দেখা নাপায়। আমাৰ দেশৰ সীমান্তত থাকি অত্যাচাৰ কৰা তান্ত্ৰিক শংখক যিদিনা তুমি মাৰি পেলালা, সিদিনাৰেপৰাই আমাৰ দেশবাসী আৰু ময়ো তোমাৰ ওচৰত কৃতজ্ঞ হৈ পৰিলোঁ। শংখৰ মৃত্যুৱে আমাক যেনেকুৱা আনন্দ দান কৰিছিল, সেই কথা মই' বা আমাৰ ৰাইজেও ভাষাৰে বৰ্ণাব নোৱাৰিম। শংখ-তান্ত্ৰিকৰ মৃত্যু আছিল আমাৰ এক ডাঙৰ উৎসৱ।"

ৰজা শিৱসিংহৰ কথা শুনি চন্দ্ৰবৰ্মা দস্তুৰমত বিস্মিত হ'ল। কিন্তু মনৰ ভাৱ মুখেৰে প্ৰকাশ নকৰি চন্দ্ৰবৰ্মাই সহজ কণ্ঠেৰে ক'লে, "শংখ আছিল বৰ দুষ্ট; তেনেকুৱা দুষ্ট এটাক জীয়াই থাকিবলৈ দিয়াৰ অৰ্থ হ'ল ৰাইজৰ অনিষ্ট। সি জীৱনত ঢেৰ পাপ কাম কৰিলে। আৰু সেই দেখিহে মই তাক যমৰ আলহী কৰি পঠালোঁ।

"এইবোৰ খবৰ মই পালোঁ কেনেকৈ কোৱাচোন?" ৰজা শিৱসিংহই বন্ধু এগৰাকীৰ দৰে ক'লে, "তোমাৰ বন্ধু এগৰাকীৰপৰা। তেওঁৰ নাম কালকেতু। কালকেতুৰ পৰামৰ্শ মতেহে আমি তোমাক সেই ৰহস্যময় কাঁহৰ কিল্লালৈ পঠাম, আৰু সেয়েহে তোমাক মই ইয়ালৈ অনালোঁ। কিয়নো তুমি বিনে আন কোনোৱে তালৈ যাব নোৱাৰিব এই কথাত আমি নিঃসন্দেহ।"

"কাঁহৰ কিল্লা? তালৈ যোৱাতনো কেইপৰ?" চন্দ্ৰবৰ্মাই ক'লে; "মই মন কৰিলেই কাঁহৰ কিল্লা নামৰ সেই দুৰ্গ দখল কৰিব পাৰোঁগৈ।"

এনেতে মহামন্ত্ৰীয়ে ৰজাৰ কাণত কিবা যেন ফুচফুচাই ক'লে। তাৰ পাছত ৰজাই চন্দ্ৰবৰ্মাৰে সৈতে প্ৰাসাদৰ ভিতৰ মহললৈ গৈ থাকিল আৰু ক'লে, "চন্দ্ৰবৰ্মা, তুমি বহু দূৰৰপৰা আহিছা, নিশ্চয় এতিয়া ভাগৰি পৰিছা। খোৱা-লোৱাৰ পাছত

জিৰণি ল'বা। তাৰ পাছত আমি বিস্তাৰিত আলোচনা কৰিম।" এই বুলি কৈ, ৰজাই চন্দ্ৰবৰ্মাক তেওঁৰ বাবে নিৰ্দিষ্ট হৈ থকা সুদৃশ্য তথা বিৰাট এটা কক্ষলৈ গ'ল।

*

খোৰা-বোৰাৰ অন্তত কোমল শয্যাত শুই চন্দ্ৰবৰ্মাই ভাবি থাকিল ঃ কালকেতুৱে শিৰসিংহক কাপালিনীৰ কথাও কৈছে চাগে। আনকি কাপালিনীৰ লগত যে শিৰসিংহয়ো চিনাকি হোৱা নাই তাৰে কি ঠিক! এই দুজনেই নিশ্চয় মোৰ সম্পৰ্কে ৰজাক এই ধাৰণা যোগাইছে যে—মইহে কেৱল কাঁহৰ কিল্লালৈ যাব পাৰোঁ। কিন্তু—কালকেতুৱেনো মোৰ সম্পৰ্কে ইমান বঢ়াই ক'লে কিয়? এই অতবোৰ ফালেডীয়া কথা কোৱাৰ আঁৰত কালকেতুৰ কিবা উদ্দেশ্য নাইনে?

*

চন্দ্ৰবৰ্মাই পুনৰ ভাবি থাকিল ঃ তথাপি যিয়েই নহওক, মোৰ নিজ ৰাজ্য পুনৰুদ্ধাৰৰ বাবেও ধন-সোণ লাগিব। কিয়নো, ধন-সোণ নহ'লে কোনো কাম নহয় আৰু কাঁহৰ দুৰ্গ দখল কৰিব পাৰিলে ধন-সোণ পোৱা যাবই। আৰু ধন দিলে যে সোণ, সোণ দিলে যে দঁতাল হাতীও পোন—সকলোৱে জনা কথা।

তাৰ পাছত, ৰজাৰ অনুচৰ এজনে চন্দ্ৰবৰ্মাক ৰজাৰ আলোচনা-গৃহলৈ লৈ গ'ল। তাত ৰজাৰ লগত প্ৰধানমন্ত্ৰীও আছিল। ৰজা শিৰসিংহই চন্দ্ৰবৰ্মাক ক'লে, "চন্দ্ৰবৰ্মা, কাঁহৰ কিল্লাৰ ধন-সোণ মণি-মুকুতাৰ সম্পৰ্কে মই একেবাৰে আগ্ৰহী নহওঁ, এই কথাষাৰ আগতীয়াকৈ কৈ থওঁ। পিছে—তেনেহ'লেনো মই কিয় এই বিষয়ে আগ্ৰহী—এই ন্যায্য প্ৰশ্নই নিশ্চয় মূৰ দাঙিব পাৰে। এই প্ৰশ্নৰ উত্তৰত মই যিকথা ক'ম—সেই কথাও বিশ্বাসযোগ্য নহ'ব পাৰে। বাৰু, কাঁহৰ কিল্লা—অৰ্থাৎ কাঁহৰ দুৰ্গটো যে

সমুদ্ৰৰ তীৰত অৱস্থিত—সেই কথাটো তুমি জানা নিশ্চয় ?”

“জানো।” চন্দ্ৰবৰ্মাই ক'লে, “পশ্চিম সমুদ্ৰৰ তীৰত। আৰু বিগত সহস্ৰ বছৰৰ ভিতৰতো কোনো মানুহ তালৈ—সেই কাঁহৰ কিল্লালৈ যোৱা নাই।”

এই কথা শুনি মন্ত্ৰীয়ে অবাক দৃষ্টি মেলি ৰজাৰ পিনে চালে। ৰজাই ক'লে “হ'ব পাৰে। পিছে সমুদ্ৰৰ দুৱাৰ-গৰিলাই কাঁহৰ কিল্লাৰ এই বিৰাট দেৱালত আছোটিয়াই পৰেহি বুলি বহুতৰে ধাৰণা।”

“এই কথাবাৰ ময়ো শুনিছোঁ।” চন্দ্ৰবৰ্মাই ৰজাক ক'লে।

“সেই দেৱালৰ কাষত সমুদ্ৰৰ পানীত কাঁহৰ পাত্ৰত হেনো অপৰূপ প্ৰাণী কিছুমান আছে—এয়ে আছিল মোৰ উপৰিপুৰুষসকলৰ ধাৰণা। প্ৰকৃত সত্য আৱিষ্কাৰ কৰিবলৈ মোৰ পিতৃদেৱে বহু ধৰণে চেষ্টা চলাইছিল ; কিন্তু তেওঁ সমূলি ব্যৰ্থ হৈছিল। চকুৰ পচাৰতে কালনাগলৈ ৰূপান্তৰিত হ'ব পৰা তোমাৰ বন্ধু কালকেতুৰ মতে—তুমি মন কৰিলেই সেই কাঁহৰ পাত্ৰবোৰ মোক আনি দিব পাৰিবা। কথা মাথোন ইমানেই নহয়। তুমি বিনে আন কোনোৱেই আনিব নোৱাৰে বুলিও কালকেতুৱে আমাক কৈছে, আৰু আমাৰো সেয়ে ধাৰণা।” ৰজাই আচৰিত হোৱা চন্দ্ৰবৰ্মাক ক'লে।

ৰজাৰ কথা গূঢ় ৰহস্যময়—সেই কথা কথা বুজাত চন্দ্ৰবৰ্মাই টান নাপালে। কাঁহৰ পাত্ৰত থকা কেইটামান অপৰূপ প্ৰাণীৰ কাৰণে কোনেও ইমান মৰ-সাহ কৰি মৰিবলৈ নোলায়। কেইটামান কাঁহৰ পাত্ৰ উদ্ধাৰ কৰি অনাটো ৰজাৰ একমাত্ৰ উদ্দেশ্য হ'বই নোৱাৰে। কাঁহৰ কিল্লাত থকা ধন-সোণ মণি-মুকুতাও তেওঁক নিশ্চয় লাগে। তেওঁৰ নিজৰ অনাৰ ক্ষমতা নাই, সেয়েহে তান্ত্ৰিকৰ যোগেদি কাৰ্য্যোদ্ধাৰ কৰিব বুলি ভাবিছে। কাঁহৰ কিল্লাত যদি সঁচাসঁচিকৈয়েই কিবা পোৱা যায়, তেনেহ'লে এতিয়াৰ মৰমকোমল ৰজা শিৱসিংহই যে অন্য মূৰ্তি ধৰিব—সেই কথাত সন্দেহ নাই।

চন্দ্ৰবৰ্মাই তেওঁৰ হাতৰ তলুৱাৰ ভালদৰে নিৰীক্ষণ কৰি ক'লে, "এনেকুৱা কষ্টকৰ কাম কৰাতহে মোৰ মন, কাঁহৰ কিল্লাকৈ যোৱাৰ ইচ্ছাও মোৰ প্ৰবল। আৰু মোৰ লগত আপুনি আন কেইজন-মানক পঠাবো পাৰে। আৰু—দেৱল অৱশ্যেই মোৰ লগত যাব। সি যাব লাগিবই কিন্তু—।

ৰজাই মন্ত্ৰীৰ পিনে চালে। মন্ত্ৰীয়ে অৰ্থপূৰ্ণ দৃষ্টিৰে চালে ৰজাৰ পিনে। তাৰ পাছত, মুহূৰ্তমানৰ পাছত ৰজাই চন্দ্ৰবৰ্মাক ক'লে, "দেৱলৰ সেই বুঢ়া দেউতাকক লগ পাইছানে কেতিয়াবা—?



ৰজাই ক'লে, "ঠিক আছে, চন্দ্ৰবৰ্মা, তোমাৰ কথামতেই কাম হ'ব। লাগে যদি—তুমি দেৱলক তোমাৰ লগত লৈ যোৱা। আৰু—তোমাৰ লগত আমাৰ সৈন্যবাহিনীৰপৰা আৰু এহেজাৰমান সৈন্য পঠালে নহ'বনে?"

এই কথা শুনি হো হোৱাই হাঁহি উঠি চন্দ্ৰবৰ্মাই ক'লে, "মই কোনোবা ৰাজ্য বিজয়লৈ নোলাওঁ নহয়? আৰু তেনেকুৱা পৰিস্থিতিৰ সৃষ্টি হয়েই যদি—এহেজাৰ-দুহেজাৰ সৈন্যেৰে একো নহ'ব। তেনে অৱস্থাত মই মোৰ মন্ত্ৰশক্তি প্ৰয়োগ কৰিম। কেৱল খাদ্য কঢ়িয়াই নিবলৈ মোক কেইটামান গাধ আৰু গাধকেইটাক চলাব লৈ যাব পৰা মানুহ কেইজনমান লাগে। অধিকন্তু, দহজনমান মানুহ মোৰ লগে লগে এনেয়ে যাব পাৰে। তেওঁলোক সাধাৰণ মানুহ—অৰ্থাৎ—সৈন্য নহ'লেও হ'ব।"

"ওহোঁ নহ'ব। ইমান কম মানুহ লৈ যাবলৈ দিব নোৱাৰি। মোৰ কৰ্মচাৰীহঁতৰ মাজত সৎ আৰু সাহসী পাঁচ-সাতজনক, আৰু কমেও পঞ্চাছজনমান সৈন্য তোমাৰ লগত পঠাম। পাছত যদি আৱশ্যক হয়—আমাৰ পশ্চিম সীমান্তৰ মণ্ডল অধিকাৰী বীৰমল্লৰপৰা

"কোন—? অ'—ওঁ, ওঁ।" এই বুলি কৈ, চন্দ্ৰবৰ্মাই নিজৰ হাতৰ তলুৱালৈ তীব্ৰ দৃষ্টিৰে চাই ক'লে, "ওঁ, সেই বৃদ্ধ মানুহজন অৰণ্যৰ মাজত পঁজাঘৰ এটাত থাকে। তেওঁৰ লাগতিয়াল বস্তুখিনি তেওঁক দিয়াৰ ব্যৱস্থা কৰে যেন। যদি তেওঁ ইয়ালৈ আহে, আৰু ইয়াত থাকিবলৈ বিচাৰে—সেই ব্যৱস্থাও অৱশ্যেই কৰি দিব। সেই বৃদ্ধ আৰু তেওঁৰ পুত্ৰ দেৱলৰ সহায়তহে মই কাঁহৰ কিল্লা পামগৈ। —এই অতি সত্য আৰু পৰম মূল্যৱান কথাষাৰ আপুনি অনুগ্ৰহ কৰি সদায় মনত ৰাখিব।" চন্দ্ৰবৰ্মাই শিৰসিংহক ক'লে।

সহায় খুজিলেই পাবা।" ৰজা শিৰসিংই চন্দ্রবর্মাক ক'লে।

'বীৰমল্ল' নামটো শুনাৰ লগে লগেই চন্দ্রবর্মাৰ মনত পৰিল তেওঁৰ সেনাপতি ধীৰমল্ল আৰু লগতে সুবাহুৰ কথা। কেইমুহূর্তমান আনমনা হৈ থকাৰ পাছত ৰজাক ক'লে, "আপোনাৰ যি ইচ্ছা। পিছে—মই কালিলৈ ৰাওনা হ'ম। কাঁহৰ কিল্লালৈ যাওঁতে কেৱল পর্বত, বা অৰণ্য নহয়, মৰুভূমিও পাৰ হ'ব লাগিব। মৰুভূমি পাৰ হওঁতে কেইটামান উট লাগিব। আপুনি বীৰমল্ললৈ তেনেকুৱা নির্দেশ পঠাওক—যাতে তেওঁ কেইটামান সুদক্ষ আৰু মৰুভূমি পাৰ হোৱাত পার্গত উটৰ বন্দবস্ত কৰি দিয়ে।"

আৰু পাছদিনা ৰাতি পুৱাৰ লগে লগে চন্দ্রবর্মা কাঁহৰ কিল্লালৈ বুলি ৰাওনা হ'ল। অন্যান্যৰ লগত দেৱলো গৈ আছিল চন্দ্রবর্মাৰ লগে লগে। দেৱলক কাৰাগাৰ-পৰা মুক্তি দিয়াৰ কথাত মতভেদ সৃষ্টি হৈছিল। ৰজাৰ ধাৰণা দেৱলক এৰি দিয়াৰ অর্থ হ'ব কাঁহৰ কিল্লাৰ সন্ধান নোপোৱা। কিন্তু অনুৰোধত দেৱলক মুক্তি দিয়া হৈছিল।

দিনে-নিশাই গৈ গৈ চন্দ্রবর্মাই কেইবযোজন পথ পাৰ হ'ল। দেৱলৰ

দেউতাকৰপৰা পোৱা মানচিত্রই কিন্তু চন্দ্রবর্মাক বৰ সহায় নকৰা হ'ল। এইদৰে দিনৰ পাছত দিন ধৰি অৰণ্য-পর্বত-নৈ-জান-জুৰি পাৰ হৈ, এদিন এটা পাহাৰৰ টিঙত উঠি দেৱল চিঞৰি উঠিল, "সোৱা, নগৰ এখন দেখা গৈছে। তাতেই কিজানি কাঁহৰ কিল্লা আছে!"

বহু দূৰত থকা এক ধ্বংসপ্রাপ্ত নগৰ দেখা পাই, চন্দ্রবর্মাই ক'লে, "তাত দুর্গ এটা থাকিলেও থাকিব পাৰে—কিন্তু কাঁহৰ দুর্গ তাত নাই। তথাপি, সেই ধ্বংসপ্রাপ্ত নগৰখন চাই যোৱা ভাল।" এই বুলি কৈ সেই নগৰলৈ আগবাঢ়ি গৈ থাকোঁতেই

হঠাৎ তিনিটা বাঘৰ পোৱালি বিজুলী গতিৰে জঁপ মাৰি গুচি গ'ল আৰু লগে লগে শুনা গ'ল বাঘিনীৰ গৰ্জনি। চন্দ্ৰবৰ্মাই তেতিয়া আন বাটেদি আগুৱাই গ'ল সেই ধ্বংসপ্ৰাপ্ত নগৰলৈ বুলি।

এই নগৰখন আছিল একেবাৰে মৃত। তাতে মানুহৰ কথা বাদেই, কোনো প্ৰাণীৰ অস্তিত্বো পৰিলক্ষিত নহ'ল। একেবাৰে নিমাওমাও। সেই মৃত নগৰখনৰ মাজেদি গৈ গৈ চন্দ্ৰবৰ্মাই এঠাইত এখন শিলৰ ফলিৰ আগত ৰৈ দিলে। ফলিখনত লিখা আছিল ঃ

এই নগৰখনৰ নাম কৰবীৰপুৰ। যিখন নগৰ সহস্ৰ বছৰ ধৰি সকলোফালৰে-পৰাই আছিল অতি উন্নত, উত্তৰ দিশৰপৰা ঢপলিয়াই অহা এক বৰ্বৰ জাতীয়ে সেই নগৰখনৰ আক্ৰনণ কৰি পৰিপূৰ্ণভাৱে ধ্বংস কৰিলে। নগৰৰ ধন-সম্পদ লুণ্ঠন কৰি কাঁহৰ কিল্লালৈ গুচি গ'ল।

পুনৰ এই ফলিখন ভালকৈ পঢ়ি, চন্দ্ৰবৰ্মাই গভীৰভাৱে ভবা-গুণা কৰি পৰৱৰ্তী কৰ্তব্য স্থিৰ কৰি সকলোটিক উদ্দেশি ক'লে, "ইয়াত আৰু ঘূৰি ফুৰা অৰ্থহীন। এই মৃত নগৰত শিলৰ বাহিৰে একোৱেই নাই আৰু। ইয়ালৈ যে লুণ্ঠনকাৰীহঁত আহিছিল, তাৰো চিন-মোকাম একোৱেই ইয়াত বিচাৰি পাবলৈ নাই। লুণ্ঠনকাৰীহঁতে এই নগৰ আক্ৰমণ কৰি, লুণ্ঠন কৰি, ধ্বংস কৰাৰ পাছত নিৰাপদ আশ্ৰয় কাঁহৰ দুৰ্গত সোমাই-ছিলগৈ। কিন্তু সেই কাঁহৰ কিল্লা বা দুৰ্গ ইয়াত নাই। ইয়াত নাই; কিন্তু আন ক'ৰবাত নিশ্চয় আছে। গতিকে— ইয়াত আৰু কালক্ষেপ নকৰি আমি কাঁহৰ কিল্লা বিচাৰি আগবাঢ়োঁ ব'লা।"

চন্দ্ৰবৰ্মাৰ পিছে পিছে সকলোটিয়েই নতুন উৎসাহৰে পশ্চিম দিশলৈ বুলি আগবাঢ়ি গৈ থাকিল। [অহা সংখ্যাত

ঈশ্বৰৰ অস্তিত্ব

পুনৰ সেই গছজোপাৰ ওচৰলৈ উভতি গৈ, গছৰ ডালৰপৰা শ'টো নমাই আনি, কান্ধৰ ওপৰত পেলাই লৈ, নীৰৱে-নিমাতে মৰিশালিলৈ বুলি গৈ থাকোঁতে সেই শ'ৰ মাজত থকা বেতালে ক'লে, "হে ৰজা বিক্ৰম, তুমি যিজনৰ কথাত এনেকৈ দিনে-নিশাই পৰিশ্ৰম কৰিছা, সেইজন তোমাৰ গুৰুনে শিষ্য ক'ব নোৱাৰোঁ। যদিও এনেবোৰ মানুহে মুখৰ মেহাৰেৰে আনক মুহিব পাৰে। পূৰ্ণচন্দ্ৰয়ো এনেকুৱা অৱস্থাত সাঙোৰ খাই পৰিছিল। মই পূৰ্ণচন্দ্ৰৰ কাহিনী কওঁ শুনা। এই কাহিনীয়ে তোমাৰ পথশ্ৰম লাঘৱ কৰিব।" এই বুলি কৈ, বেতালে ক'বলৈ ধৰিলে ঃ

ৰামপুৰত পূৰ্ণচন্দ্ৰ নামৰ এজন মানুহ আছিল। পূৰ্ণচন্দ্ৰ আছিল পৰিপূৰ্ণ নাস্তিক। দেৱ-দেৱীলৈ তেওঁৰ মন-কাণ নাছিল।

'বেতাল-কথা'



এবাৰ ৰামপুৰত এগৰাকী বিখ্যাত যোগী আহিল। যোগীয়ে ৰাইজক বিভিন্ন বিষয়ে উপদেশ দিছিল। পূৰ্ণচন্দ্ৰই যোগীক ক'লেগৈ, "হে যোগী মহাৰাজ, আপুনি দেৱভক্তিৰ বিষয়ে সমূহ ৰাইজক বহুতো কিবাকিবি ক'লে। কিন্তু — দেৱতা আচলতে আছেনে নাই সেই বিষয়ে মোৰ যথেষ্ট সন্দেহ। আপুনি যদি প্ৰমাণ দিব পাৰে ময়ো ঈশ্বৰক মানিম।"

"তোমাৰ চাৰিওফালে থকা জগৎ-সংসাৰেই ঈশ্বৰৰ প্ৰমাণ।" যোগীয়ে ক'লে।

"শুনক, ঈশ্বৰ নাই বুলি ক'লেও বতাহ বলিব, নৈ-সাগৰ প্ৰবাহিত হ'ব। ঈশ্বৰ নাই বুলিলেই মই মৰি নাযাওঁ, কোনো নমৰে। এতেকে—ঈশ্বৰ থকাৰ কিবা দেখ দেখ অকাট্য প্ৰমাণ মোক লাগে।"

পূৰ্ণচন্দ্ৰৰ বক্তব্য যোগীয়ে অনুভৱ কৰিব পাৰিলে। দৰবে বেমাৰ ভাল কৰে, ভাতে ভোক গুচায়, শাস্ত্ৰই সৃষ্টিৰ সম্পৰ্কে জ্ঞান দিয়ে। মানুহে এইবোৰ কথা নিজ অভিজ্ঞতাৰপৰাহে জানিলে। কিন্তু ঈশ্বৰৰ অস্তিত্ব মানুহৰ উপলব্ধিৰ ভিতৰুৱা নহ'ল। কোনো কোনো ভক্তই ঈশ্বৰ আছে বুলি ভাবে, কোনোবা-কুনুবিয়ে ঈশ্বৰ নাই বুলি ভাবে।

সমগ্ৰ বিষয়টোক এইদৰে চিন্তা কৰি যোগীয়ে পূৰ্ণচন্দ্ৰক ক'লে, "তোমাক প্ৰমাণ লাগে, নহয়নে বাৰু? এটা কাম কৰাঁ, তুমি সৰল চিতেৰে ঈশ্বৰৰপৰা যি ইচ্ছা—বিচাৰা, তুমি পাবা। যেতিয়া পাবা—নিশ্চয় তোমাৰ বিশ্বাস হ'ব।"

"মোৰ কোনোকিছুলৈ হাবিয়াস নাই, আৰু যদি কিবা আছেও, তাৰ কাৰণে ঈশ্বৰক নাখাটোঁ। নহয়? শ্ৰম কৰি নিজৰ ইচ্ছা নিজেৰ পূৰাবৰ চেষ্টা কৰিম।"

"এবছৰৰ অন্তত মই পুনৰ এই ৰাম-পুৰলৈ আহিম। মই যি কথা ক'লোঁ, সেইমতে কাম কৰাঁ যদি, নিশ্চয় ঈশ্বৰৰ অস্তিত্ব অনুভৱ কৰিব পাৰিবা।" যোগী-

পুৰুষে শান্ত কণ্ঠেৰে ক'লে।

তাৰ পাছত যোগী ৰামপুৰ এৰি গুচি গ'ল, আৰু পূৰ্ণচন্দ্ৰয়ো তেওঁৰ কথা পাহৰি গ'ল। যোগীক যি-প্ৰশ্ন সুধিছিল, সেই প্ৰশ্নৰ সঠিক উত্তৰ যোগীয়ে নিদিয়া বুলি পূৰ্ণৰ ধাৰণা হৈছিল।

বহুদিনৰ পাছত ৰামপুৰৰ আটাইতকৈ আঢ্যৱন্ত মানুহজন টান বেমাৰত পৰিল। কত যে চিকিৎসকে চিকিৎসা কৰিলে—কিন্তু বেমাৰ ভাল নহ'ল। তেতিয়া নামজ্বলা জ্যোতিষীহঁতক মতাই অনাই সোঁৱৰণীৰ বিচাৰ কৰোৱা হ'ল। এজন জ্যোতিষীয়ে গভীৰভাৱে কোষ্ঠী পৰীক্ষা কৰি ক'লে, "আপোনাৰ বেমাৰ কোনো চিকিৎসকে ভাল কৰিব নোৱাৰিব। কিন্তু—কোনোবা নাস্তিকে যদি মন্দিৰত সোমাই আন্তৰিকভাৱে ঈশ্বৰলৈ প্ৰাৰ্থনা জনায়—তেতিয়া আপুনি ভাল হৈ উঠিব।"

ৰামপুৰতে কোনোবা নাস্তিকক বিচাৰি পোৱা যায়নে কি তাৰবাবে আঢ্যৱন্ত মানুহজনে কৰ্মচাৰী কেইজনমানক ক'লে।

কৰ্মচাৰীহঁতৰ মাজত এজনে নাস্তিক পূৰ্ণচন্দ্ৰৰ কথা কোৱাত ধনী মানুহজনে তেওঁৰ কেইজনমান বছা বছা কৰ্মচাৰীক পূৰ্ণচন্দ্ৰৰ ঘৰলৈ পঠালে। তেওঁলোকে পূৰ্ণচন্দ্ৰক ক'লেগৈ, "আপুনি মন্দিৰলৈ

গৈ যদি আন্তৰিকভাৱে ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা কৰে—তেনেহ'লে আমাৰ গৰাকীৰ বেমাৰ ভাল হ'ব।"

এই কথা শুনি পূৰ্ণ অবাক হ'ল। পূৰ্ণই ভাবিলে: ঈশ্বৰেই মোক কৌশল কৰি মন্দিৰত সুমুৱাব যেন পাইছোঁ। কিন্তু পূৰ্ণই এটা দাৰুণ সিদ্ধান্ত ল'লে। ভাবিলে: মন্দিৰত সোমাই পৰীক্ষা কৰি চোৱা যাওক ঈশ্বৰ আছেনে নাই।

ধনী মানুহজনৰ বেমাৰ ভাল কৰি তুলিবলৈ পূৰ্ণচন্দ্ৰ মন্দিৰত সোমালগৈ। পূৰ্ণই বিগ্ৰহৰ পিনে চাই আন্তৰিকতাৰে ক'লে, "গোসাঁই, তুমি তেওঁৰ বেমাৰ

ভাল কৰি দিয়া।"

আৰু পাছদিনাই ধনী মানুহজনৰ অসুখ ভাল হৈ গ'ল। কাণ্ড দেখি পূৰ্ণচন্দ্ৰ প্ৰচণ্ড অবাক হ'ল। কিন্তু তথাপি ঈশ্বৰৰ অস্তিত্ব সম্পৰ্কে তাৰ মনৰপৰা সন্দেহ নাগুঁচিল। পূৰ্ণই ভাবিলে: ঈশ্বৰক খাটিলেই যদি সমস্যাৰ সমাধান হৈ যায়— পৃথিৱীত ইমান সমস্যা আছেনো কিয়?

ধনী মানুহজনৰ বেমাৰ ভাল হোৱাৰ গুৰিত ঈশ্বৰৰ অৱদান—এই কথাটোপূৰ্ণই তেতিয়ালৈকো পৰিপূৰ্ণভাৱে বিশ্বাস কৰিব নোৱাৰিলে। যদিও কিয় এনে ঘটনা ঘটিল সেই কথাটোও ভাবি থাকিল।

পূৰ্ণচন্দ্ৰৰ প্ৰাৰ্থনাই মৃত্যুমুখী ধনী মানুহজনক মৃত্যুমুখৰপৰা ওভোতাই অনাৰ কথা সকলোতে জুইৰ দৰে বিয়পি পৰিল। অ'ৰ ত'ৰপৰা দলে দলে মানুহ পূৰ্ণৰ ওচৰলৈ ঢপলিয়াই আহিল সমস্যাৰ সমাধান বিচাৰি। অবাক পূৰ্ণচন্দ্ৰ প্ৰায় নিৰুপায়ত পৰি প্ৰতিদিন মন্দিৰত সোমাই গোসাঁইৰ ওচৰত প্ৰাৰ্থনা কৰিবলৈ ধৰিলে বিভিন্ন মানুহৰ বাবে। আৰু অতি আচৰিত কথা, পূৰ্ণচন্দ্ৰৰ প্ৰতিটো প্ৰাৰ্থনা সফল হ'ল।

এতিয়া পূৰ্ণচন্দ্ৰৰ ঘৰত সদা-সৰ্বক্ষণ সমস্যাৰজৰ্জৰিত মানুহৰ ভিৰ। পূৰ্ণই প্ৰত্যেকৰ কথা মনপুতি শুনিছিল। আৰু যিবোৰ সমস্যাৰ সমাধান মানুহে কৰিব



নোৱাৰে বুলি তাৰ ধাৰণা হৈছিল, কেৱল সেইবোৰৰ বাবেহে ঈশ্বৰলৈ খাটিছিল।

এদিন পূৰ্ণচন্দ্ৰৰ পৰিবাৰে পূৰ্ণক ক'লে "তুমি আন সকলোটিৰ সকলো সমস্যাৰ সমাধান কৰিব পাৰিছা, ইচ্ছা পূৰণ কৰিছা; মোৰ ইচ্ছা পূৰণ কেতিয়া কৰিবা? কেৱল আনৰ কাৰণে কৰি থাকিলেহে মোৰ কাম হ'বনে?"

"তোমাৰ ইচ্ছানো কী? তুমি মোক কেতিয়াও কোৱা নাছিলা একো।"

"তুমি এই দেশৰ ৰজা হ'বা, আৰু মই হ'ম ৰাণী—এয়ে মোৰ ইচ্ছা।" পূৰ্ণৰ পৰিবাৰে পূৰ্ণক ক'লে।

পত্নিবাৰৰ কথা শুনি পোনতে পূৰ্ণই ভাবিলে: ঈশ্বৰৰ ওচৰত ইমান ডাঙৰ প্ৰাৰ্থনা কৰাটো ন্যায়কাম নহ'ব। পাছ মুহূৰ্ততে ভাবিলে: মোৰ এই ইচ্ছা পূৰণ হ'লে ঈশ্বৰৰ অস্তিত্ব সঠিককৈ প্ৰমাণিত হ'ব। এতেকে পূৰ্ণচন্দ্ৰই পৰিপূৰ্ণ আশাৰে ঈশ্বৰলৈ এই প্ৰাৰ্থনা জনালে।

কিন্তু পূৰ্ণৰ এই প্ৰাৰ্থনা সফল নহ'ল। তেতিয়া পূৰ্ণৰ পৰিবাৰে ক'লে, "অলপ সৰুকৈ প্ৰাৰ্থনা কৰাঁ তেন্তে। আমাৰ বিষয়-সম্পত্তি যাতে বাঢ়ে—ঈশ্বৰৰ ওচৰত সেই প্ৰাৰ্থনা কৰাঁগৈ।"

পৰিবাৰৰ কথামতে পূৰ্ণই যথাৰীতি ঈশ্বৰৰ ওচৰলৈ প্ৰাৰ্থনা কৰিলে; কিন্তু প্ৰাৰ্থনা এইবাৰো ফলপ্ৰসূ নহ'ল।



তেতিয়া পূৰ্ণৰ পৰিবাৰে পূৰ্ণক ক'লে, "তেনেহ'লে এটা কাম কৰা, যিসকলে সমস্যাৰ সমাধানৰ বাবে তোমাৰ সহায় লয়, সিসকলৰপৰা তুমি এতিয়াৰপৰা মাননী লোৱা, তেও, আমাৰো ছুপইচা হ'ব।"

এইবাৰো পূৰ্ণই পৰিবাৰৰ কথামতে কাম কৰিলে, তাৰ ফলত বিপৰ্যয় ঘটিল। পূৰ্ণচন্দ্ৰৰ প্ৰাৰ্থনাই এতিয়াৰপৰা একো গুণ নিদিয়া হ'ল। কাৰো বেমাৰ-আজাৰ ভাল নোহোৱা হ'ল, ইচ্ছা পূৰণ নহ'ল, সমস্যা সমস্যাতে থাকি গ'ল।

এই কাহিনী কোৱাৰ অন্তত বেতালে বিক্ৰমাদিত্যক ক'লে, "হে ৰজা, পূৰ্ণচন্দ্ৰৰ প্ৰাৰ্থনা পূৰণ হোৱাত ঈশ্বৰৰ অস্তিত্ব সকৰ্কে কোনো সন্দেহ সংশয় তাৰ মনত থকা উচিত নাছিল। আৰু পূৰ্ণচন্দ্ৰৰ ৰজা হোৱাৰ প্ৰাৰ্থনাও পূৰণ হোৱা উচিত আছিল। কিয় পূৰণ নহ'ল? ৰজা হোৱাৰ প্ৰাৰ্থনা কৰাৰ পাছৰপৰা আৰু কোনো এটা প্ৰাৰ্থনা কিয় পূৰণ নহ'ল তাৰ? তেনেহ'লে ঈশ্বৰৰ অস্তিত্বৰ সম্পৰ্কে যোগীয়ে কোৱা প্ৰতাৰণাহে কৰিছিলনে কি? মোৰ এই প্ৰশ্নৰ উত্তৰ যদি জনা সত্বেও সঠিককৈ নিদিয়া, তেনেহ'লে তোমাৰ মূৰ চাৰিফাল বুলি জানি থ'বা হ'ব।"

বেতালৰ এই প্ৰশ্নৰ উত্তৰত ৰজা বিক্ৰমাদিত্যই ক'লে, "পোনতে পূৰ্ণই আনৰ কাৰণেহে প্ৰাৰ্থনা কৰিছিল; তেতিয়া তাৰ প্ৰাৰ্থনা ফলৱতীও হৈছিল। যেতিয়াৰ-পৰা সি নিজৰ স্বাৰ্থৰ কাৰণে প্ৰাৰ্থনা কৰিবলৈ ধৰিলে, তেতিয়াৰেপৰাই তাৰ সকলো বিফল হ'ল, তাৰ প্ৰাৰ্থনা মূল্যহীন হৈ পৰিল। একমাত্ৰ নিঃস্বাৰ্থ প্ৰাৰ্থনাহে ফলপ্ৰসূ হয়। যোগীয়ে পূৰ্ণচন্দ্ৰক প্ৰতাৰণা কৰা নাছিল, সঠিক কথাকে কৈছিল।"

বিক্ৰমাদিত্যই এই কথা কোৱাৰ লগে লগেই বেতালে শ'টো লৈ পুনৰ সেই গছজোপাৰ ওচৰলৈ উভতি গ'ল। [কল্পিত

হিচাপ

নামতো ভীমৰাজ, কামতো ভীম। দুখীয়া হওক ধনী হওক মানী হওক জ্ঞানী হওক ভীমৰনামত ভয় নোখোৱা মানুহ নাই।

এবাৰ ভীমৰাজহঁতৰ গাঁৱত এজন জ্যোতিষী আহিল। গোটেইখন গাঁৱৰ ঘৰে ঘৰে ঘূৰি ঘূৰি হস্তৰেখা বিচাৰ কৰি, সৌৰৱণী বিচাৰ কৰি, লিখি, ভূত-ভৱিষ্যৎ বিচাৰি কোৱাৰ অন্তত এদিন জ্যোতিষী মহোদয় ভীমৰাজৰ ঘৰলৈকো গ'ল। ভীমৰাজে তেতিয়া তাৰ ঘৰৰ বাৰাণ্ডাত বহি কিবা হিচাপ কৰি আছিল। তাক জোতিষীয়ে ক'লে, "নমস্কাৰ ভীমৰাজ ডাঙৰীয়া, নমস্কাৰ।"

"হাৰে! আপুনি! আহক, বহক—বহক। ভালনে?" ভীমৰাজে ক'লে।

এনেবোৰ দুই-চাৰি কথাৰ অন্তত জ্যোতিষীয়ে ভীমৰাজৰ হাতৰ তলুৱাখনলৈ গভীৰ দৃষ্টিৰে চাই কৈ উঠিল, "আপোনাৰ হাতৰ ৰেখা অত্যন্ত ভাল। ৰজা-মহাৰজাসকলৰ হাততহে এনে ৰেখা থাকে। এই কাৰণেই আপুনি এই গাঁৱৰ, বা ওচৰ-পাঁজৰৰ দহখন গাঁৱৰো মুকুটহীন মহাৰাজ। গাঁৱৰ প্ৰত্যেকেই আপোনাক ভয় আৰু ভক্তিও কৰে।"

হস্তৰেখা বিচাৰ শেষ হ'লও ভীমৰাজে লাহেকৈ সুধিলে, "আপুনি লয় কিমান?"

"এ—এই কথাৰনো কি উত্তৰ দিওঁ? যাৰ কিমান ইচ্ছা দিয়ে আৰু। পিছে—পাঁচছটকাতকৈ কম কোনেও নিদিয়ে। আৰু—আপুনি হ'ল—কি বোলেনে—গাঁৱৰ সৰ্বেসৰ্বা, আপোনাৰ লগতনো কিহৰ দৰ-দাম?" জ্যোতিষীয়ে ক'লে।

সৰল চুটিয়া

"গাঁৱত মোৰ বাহিৰে আৰু ঢেৰ মানস্তা-জানস্তা আছেই নহয়? মুক্কুপ আছে, বৰ দাৰোগা আছে, সৰু দাৰোগা আছে, গাঁওবুঢ়া আছে—কত্ত আছে। অ'—। পিছে—আদায়-উচুল কিমান কৰিলে? পালে কিমান এতিয়ালৈ?" ভীমৰাজে সুধিলে।

"আজ্ঞা—যোৰা ঢেৰমাহমান আপোনাৰ এলেকাত আছোঁ। এই এলেকাৰ ঘৰে ঘৰে জীয়ন্ত লখিমীৰ থান, বৰ ভাল আয় উপাৰ্জন। জ্ঞানে-ধনে গাঁওখন একেবাৰে যাক বোলে নদনং-বদনং। হে হে—হেঁঃ!" জ্যোতিষীয়ে ক'লে।

"আপুনি দহটকা ৰূপ ৰোজকাৰ কৰা বুলি শুনিলেও মোৰ আনন্দ। আমি গাঁতৰ এন্দুৰেনো কি জানিম আপোনাৰ গিয়ানৰ মহিমা?" ভীমৰাজে ক'লে, "আমাৰ এনে গু-জীৱনৰ আপোনালোকেই হ'ল প্ৰকৃত তথা আচল গুৰিয়াল।"

ভীমৰাজৰ কথাত ভালৰো ভাল পাই জ্যোতিষীয়ে কৈ উঠিল, "আপোনাক সঁচা কথাকে কওঁ, ঢেৰ মাহত ইয়াৰপৰা কমেও ঢেৰ হাজাৰমান পালোঁ।"

ভীমৰাজে মিচিকীয়াই হাঁহি ক'লে, "শুনি ভাল পালোঁ। পিছে—টকাই প্ৰতি পাঁচ পইচাকৈ যে মোক দিব লাগে— এই এলেকাৰ কেঁচুৰা এটায়ো ক'ব। অৱশ্য মোৰ হাত চোৱাৰ বাবদে দুটকা বাদ দিব পাৰে। তথাপি মোৰ পাওনা তেসত্তৰ টকা। গাঁৱৰ প্ৰতিঘৰ মানুহ আপোনাৰ দৰে সৎ হোৱাহেঁতেন ঘৰে ঘৰে গৈ মই মোৰ পাওনা আদায় কৰিবলগীয়া নহ'লহেঁতেন। মোৰ প্ৰাপ্য মোক নিদিলে যে ক'ৰ পানী ক'লৈ যায়— এই এলেকাৰ ল'ৰা-বুঢ়া সকলোৱে জানে।"

জ্যোতিষীয়ে অলপ পৰলৈ ভেবা লাগি চাই থকাৰ পাছত ভীমৰাজক তেসত্তৰ টকা দি তাৰপৰা গুচি গ'ল।



আমাৰ দ'ল-দেৱালয়

কোনাৰক

যি ঠাইত চন্দ্ৰভাগা নদী সাগৰত লগ লাগিছেহি, তাত থকা সূৰ্য্যমন্দিৰ অতি বিখ্যাত। তাহানি শ্ৰীকৃষ্ণৰ পুত্ৰ শাম্বই ইয়াত একলনে ঈশ্বৰৰ আৰাধনা কৰিছিল বুলি পুৰাণত বৰ্ণোৱা হৈছে।

তেৰশ শতিকাত কলিংগৰাজ নৰসিংহদেৱে এই ঠাইত এটি মন্দিৰ নিৰ্মাণ কৰিবলৈ সংকল্প কৰি বাৰ হাজাৰ শিল্পীক নিযুক্ত কৰিছিল। এই অঞ্চলৰ পৰিবেশে তেওঁক বৰ মুগ্ধ কৰিছিল।



বিখ্যাত শিল্পী তথা বাস্তুকাৰ বিষ্ণুমোহন ৰাণাৰ দায়িত্বত মন্দিৰ নিৰ্মাণৰ কাম আৰম্ভ হ'ল। নৰসিংহদেৱৰ নিজৰ শাসনকালতে এই মন্দিৰৰ নিৰ্মাণকাৰ্য্য সম্পাদন কৰাৰ বাবে মন্দিৰ নিৰ্মাণকাৰী শিল্পীসকলে দিনে-নিশাই শ্ৰম কৰিবলগীয়া হৈছিল।

সূৰ্য্যদেৱৰ ৰথৰ পৰিকল্পনা মতে বিৰাট আকাৰৰ চক্ৰ (চকা) আৰু অশ্ব নিৰ্মিত হ'ল। সমগ্ৰ বছৰ ধৰি মন্দিৰৰ ভিতৰত সূৰ্য্যৰ কিৰণ পৰিবপৰাকৈ এই মন্দিৰ নিৰ্মাণৰ পৰিকল্পনা কৰা হ'ল।

শিল্পী বিষ্ণুমোহনৰ পুত্ৰৰ নাম আছিল ধৰ্মপাদ। ধৰ্মপাদ আছিল গাঁৱত তাৰ মাতৃৰ ওচৰত। তাত সি তাৰ পিতৃয়ে লিখা শিল্প-শাস্ত্ৰৰ তালপতীয়া পুথি একাণপতীয়া হৈ পঢ়িছিল। এদিন পিতৃৰ লগত সাক্ষাৎ কৰাৰ মানসেৰে ধৰ্মপাদ কোনাৰকলৈ গ'ল।

ধৰ্মপাদে খোজ কাঢ়ি কাঢ়ি কোনাৰক পালেগৈ। পিতৃয়ে পুত্ৰক তাত দেখা পাই আনন্দেৰে আঁকোৱালি ল'লে। নিৰ্মীয়মান এই অপূৰ্বসুন্দৰ মন্দিৰটি দেখি ধৰ্মপাদ আশ্চৰ্য্যান্বিত হ'ল।

মন্দিৰৰ নিৰ্মাণকাৰ্য্য শেষ হোৱা সত্ত্বেও কোনো শিল্পীৰ মনত আনন্দ নাছিল, চকুমুখত আছিল বিষাদৰ ছাঁ। ধৰ্মপাদে এই বিষাদৰ হেতু জানিব খুজিলে। সোধ-পোছ কৰি জানিব পাৰিলে যে—মন্দিৰৰ চূড়াত কলস স্থাপন কৰিব লাগিব ; কিন্তু এই পদ্ধতি তেওঁলোকে পাহৰিলে, আৰু তাৰ কাৰণেহে বিষাদ।

মন্দিৰ-নিৰ্মাণ সমাপ্ত হোৱাত বিলম্ব হোৱা দেখি ৰজা নৰসিংহদেৱে ক্ৰুদ্ধ হৈ ক'লে, "ৰাতি পুৱাৰ আগতে মন্দিৰৰ নিৰ্মাণকাৰ্য্য সমাপ্ত নহ'লে প্ৰতিজন শিল্পীক বধ কৰা হ'ব।" তেতিয়া ধৰ্মপাদে মন্দিৰৰ চূড়াত উঠি কলস স্থাপন কৰাৰ বিশেষ পদ্ধতি শিল্পীসৰক দেখুৱাই দিলে।

ধৰ্মপাদৰ জ্ঞান আৰু সাহসে তাৰ পিতৃক আনন্দ দিলে, কিন্তু অন্যান্য শিল্পীয়ে কোৱাকুই কৰিলে, "আমি বাৰ হেজাৰ শিল্পীয়ে যিটো কাম নোৱাৰিলোঁ—সি আহিয়েই কৰি পেলালে—এয়া দস্তুৰমত অপমানৰ কথা।" কথাখিনি ধৰ্মপাদে শুনিলে।

ধৰ্মপাদে ভাবিলে : মই যদি কাকো একো নোকোৱাকৈ নোহোৱা হৈ যাওঁ সকলোটিৰ দুশ্চিন্তা গুচিব। সাগৰৰ ঢৌবোৰ মন্দিৰৰ গাত বাগৰি পৰিছিলহি। তেতিয়া পূৰ্ণিমাৰ জোনাক নিশা। মন্দিৰৰ চূড়াত উঠি ধৰ্মপাদ সাগৰৰ বুকুত জঁপিয়াই পৰিল।

ধৰ্মপাদে স্বেচ্ছাই মৃত্যুক আঁকোৱালি ল'লে ; কিন্তু মন্দিৰৰ লগত তাৰ নাম অক্ষয়-অমৰ হৈ থাকিল। প্ৰধান মন্দিৰটো এতিয়া আৰু নাই ; কিন্তু তাৰ ভগ্নাৱশেষ অদ্যাপি বিদ্যমান। সেই সূৰ্য্যৰথৰ এটি চকা এতিয়াও সিদিনাৰ সাক্ষী হৈ জীৱন্ত আছে।



এতিয়া আৰু মন্দিৰৰ কাষেদি চন্দ্ৰভাগা নদী বৈ নাযায়, সমুদ্ৰো বহু সুদূৰ। তথাপি, ভাস্কৰ্য্যৰ এক অপৰূপ নিৰ্দশন কোনাৰক আজিও সমভাৱে আকৰ্ষণীয়।

টকাৰ টাকুৰী

হালোৰা পৰমাই তাৰ ছোৱালীজনীৰ বিয়া পাতিবলৈ চাৰি হালিচা মাটি বেচি দিলে। আগৰ সাঁচতীয়া আৰু এই মাটি বেচা টকা মিলাই দহ হেজাৰ টকা হ'ল। টকাখিনি ক'ত থওঁ ক'ত থওঁ কৰি অৱশেষত ঘৰৰ এচুকত থৈ দিলে। তেতিয়া পৰমাৰ বন্ধু সতা তাত বহি আছিল।

হঠাৎ পৰমাক বিচাৰি এজন মানুহ আহিল, আৰু পৰমা দুৱাৰ খুলি ওলাই গ'ল। ওলাই গ'ল সতাও, পিছে—পিছ দুৱাৰেদি, আৰু টকাৰ টোপোলাটো লৈ।

সতাই তাৰ ছোৱালীজনীৰ বিয়া দিব নোৱৰাত মনমৰা হৈ আছিল। টকাৰ টোপোলাটো পোৱামাত্ৰ, সেইদিনাই গাঁৱৰ সোমনাথৰ ল'ৰাটোৰ লগত বিয়াৰ ব্যৱস্থা খাটাং কৰিব বুলি খাটাং কৰিলে সতাই।

ঘৰৰপৰা ওলাই সোমনাথৰ ঘৰলৈ বুলি খোজ লোৱাৰ আগতে সতাই টকাৰ টোপোলাটো তাৰ ঘৰৰ এচুকত লুকাই থ'লে। কিন্তু লুকাই থওঁতে তাৰ পুতেক সুভদ্ৰই আঁৰৰপৰা লক্ষ্য কৰিলে। দেউতাক ঘৰৰপৰা ওলাই যোৱাৰ লগে লগেই টকাৰ টোপোলাটো লৈ সুভদ্ৰো ঘৰৰপৰা খোজ ল'লে। চিৰ্ধধই তাৰ বন্ধুহঁতৰ আড্ডালৈ বুলি। তাত সি গৰমে গৰম খাৰন-পিৰনৰ বিহু পাতিব আৰু খুঁটি পুতি উজটি খাব।

টকাৰ টোপোলাটো লৈ সুভদ্ৰই থব কাছুটি হেৰুৱাই দৌৰি দৌৰি গৈ থাকোঁতে টোপোলাটো সি ক'ব নোৱাৰাকৈয়েই এঠাইত পৰি গ'ল। ঠিক তেতিয়াই সুভদ্ৰৰ পিছে পিছে গাড়ী চলাই গৈ

কেশব পাঠক



আছিল এজন বেপাৰী। তেওঁ এই টোপলাটো দেখা পায়েই খৰধৰকৈ গাড়ীৰ-পৰা নামি আহি, টোপোলাটো বুটলি লৈ, তেওঁৰ গাড়ীত থকা বস্তু-বেহানিৰ ই থ'লে দ'মটোৰ মাজত লুকুৱা।

এই বেপাৰী মহাজন স্বৰ্ণশেঠে উমানতে ৰজি পাইছিল যে টোপোলাটোত টকা আছে। তথাপি, টোপোলাটো খুলি নাচালে।

কিন্তু স্বৰ্ণশেঠে তেওঁৰ দোকানত অন্যান্য বস্তু-বেহানি সামৰি-সুতৰি থওঁতে সেই টোপোলাটোৰ কথা পাহৰি থাকিল। বহু সময়ৰ পাছত তেওঁৰ মনত পৰিল টোপোলাটোৰ কথা; কিন্তু বিত-বিতকৈ বিচাৰিও আৰু বিচাৰি পোৱা নহ'ল।

বিচাৰি নোপোৱাৰ কাৰণ হ'ল— স্বৰ্ণশেঠৰ কৰ্মচাৰী এজনে টোপোলাটো দেখা পাই নমতা-নোবোলাকৈ নিজৰ ঘৰলৈ লৈ গৈছিল।

টোপোলাটো খুলি চাই তাৰ চকু ঢেলুকা-ঢেলুক হৈ পৰিল। তাৰ ঘৈণীয়েকৰ উশাহ বন্ধ হওঁ হওঁ যেন হ'ল। তাই ফুচফুচাই কৈ উঠিল, "ইম্মান টকা! আমাৰ ওচৰত ইমান টকা থকা বুলি কোনোবাই গম পালে আমাক মাৰি-কাটি টকাখিনি লৈ যাব। আমাৰ বাৰীত টকাখিনি পুত থওঁগৈ ব'লা, জল্দি!"

ঘৈণীয়েকৰ কথাত টকাখিনি মাটিৰ তলত পুতি থওঁতে চুবুৰীয়া সত্যনাথে ঘটনাটো দেখা পালে আৰু সিহঁতে টকাখিনি পুতি থৈ গুচি যোৱাৰ লগে লগে সত্যনাথে সেই মাটি পুনৰ খান্দি, টোপোলাটো উলিয়াই আনি, ঘৰলৈ খোজ লওঁতেই তাৰ ভৰিয়ে আৰু নচলা হ'ল, কিয়নো, দগধা চোৰ এটা তাৰ আগত নিমাতে থিয় হৈ আছিল তেতিয়া। সত্যনাথৰ অবশ হাতৰপৰা টোপোলাটো পৰি গ'ল আৰু সি একেলৰে ঘৰত সোমাই পট্‌কৈ দুৱাৰডাং মাৰি দিলে।

টোপোলাটো লৈয়েই চোৰটোৱে তাৰ ঘৰলৈ বুলি লৰ ধৰিলে ; কিন্তু ভালেকেইটামান কুকুৰে তাৰ পিছ ল'লে।

কুকুৰৰ খেদা খাই চোৰটো বৰ বিপদত পৰিল। ইমানবোৰ কুকুৰৰ ভুকনি শুনি, বিপদ গমি গৃহস্থসকল ঘৰৰ দুৱাৰ খুলি ওলাই আহিল। এই কথাত ভয় খাই, চোৰটোৱে টোপোলাটো দলিয়াই পেলাই তীৰৰ গতিৰে কুকুৰবিলাকতকৈয়ো বেগাই দৌৰি পলাল।

চোৰটোৱে য'ত টকাৰ টোপোলাটো দলিয়াই পেলাইছিল, পাছদিনা ধলপুৱাতে, নৈৰপৰা গা ধুই উভতি আহোঁতে মানুহ এজনে সেই টোপোলাটো বাটৰ একাষত বুটলি পালে। মানুহজনৰ নাম সিদ্ধান্ত। ৰাইজৰ বিয়া-শৰাধ-অন্নপ্ৰাশনৰ দিন-খেণ চাই-চিঁতি দিয়াৰ বাবে ৰাইজেই মানুহজনক 'সিদ্ধান্ত' বুলি নামকৰণ কৰিছিল। টোপোলাটো লৈ উভতি আহোঁতে সিদ্ধান্তই তেওঁৰ ঘৰৰ আগত কিছুমান মানুহ গোট খাই থকা দেখা পালে। দূৰৰপৰা মানুহবিলাকক দেখি, সিদ্ধান্তই টকাৰ টোপোলাটো ভিজা কাপোৰেৰে মেৰিয়াই ল'লে, আৰু সাউৎকৰে ঘৰৰ ভিতৰত সোমাই, ভিজা কাপোৰ-কানি সদায় থোৱা ঠাইত থৈ দিলে আৰু তাৰ পাছত বৈ থকা মানুহবিলাকৰ ওচৰলৈ গ'ল।

সিদ্ধান্তৰ পৰিবাৰে সদায় গিৰিয়েকৰ

ভিজা কাপোৰ-কানিখিনি ধুই আনিবলৈ কলহত ভৰাই লৈ যায়; আজিও একে-দৰেই কলহত ভৰাই লৈ গা ধুবলৈ গ'ল নৈৰ ঘাটলৈ। লগতে এদ'ম লেতেৰা কাপোৰ-কানিও লৈ গ'ল চাফা কৰিবলৈ।

ইপিনে পৰমাৰ ঘৈণীয়েকো নৈৰ ঘাটলৈ আহিল গা ধুবলৈ। তায়ো সদায় আহে ইয়ালৈ। দুয়োজনীয়ে নানান সুখ-দুখৰ কথা পাতিলে, হাঁহিলে, হুমুনিয়াহ কাঢ়িলে, কাপোৰ-কানিখিনি চাফা কৰিলে, গা ধুলে, আৰু কাপোৰ-কানিবোৰ কলহত ভৰাই লৈ ঘৰলৈ বুলি খোজ ল'লে।

কিন্তু ঘটনা এটা ঘটিল।

নৈৰ ঘাটৰপৰা ঘৰলৈ যাওঁতে পৰমাৰ ঘৈণীয়েকে সিদ্ধান্তৰ ঘৈণীয়েকৰ কলহটো ভুলকৈ লৈ' গ'ল। দুয়োজনীয়েই এদিন হাটৰপৰা একেধৰণৰ কলহ একেখন দোকানৰপৰা কিনিছিল, তাৰ কাৰণেহে আজিৰ এই সলনা-সলনি হোৱাতো সিহঁতে গমেই নাপালে।

কাপোৰখিনি পৰমাৰ পৰিবাৰে ৰ'দত শুকাবলৈ দিওঁতে হঠাৎ সেই টোপোলাটো পাই হতবাক হৈ পৰিল। কথাটো তাই গিৰিয়েকক কোৱাত গিৰিয়েকে পৰমাই প্ৰচণ্ড জোৰেৰে তাইক ডাবি মাৰি ক'লে, "মই এই টোপোলাটো বিচাৰি বিচাৰি হাৰাশাস্তি হৈছোঁ, আৰু তইহেনে টোপোলাটো লৈ টাং বাং কৰিছ!" এই বুলি কৈ, টোপোলাটো তাইৰ হাতৰপৰা থাপ মাৰি কাঢ়ি লৈ গ'ল।

এই টকাৰ টোপোলাটো যে কোনে তাইৰ কলহত ভৰাই থৈছিল, পৰমাৰ পৰিবাৰে বহু ভাবিও বুজিব নোৱাৰি ভাবিলে: ময়েই বোধকৰোঁ খৰখেদাকৈ লৈ গৈছিলোঁ ভৰাই। কিন্তু পৰমাই তাৰ এই টকাৰ টোপোলাটোৰ বিশ্বভ্ৰমণৰ কথা কোনোদিনে নাজানিলে।



শিৱ-পুৰাণ

১৩

বিষ্ণুৱে আদিশেষক ক'লে, "তুমি দেৱতাসকলৰ বাবে মন্দৰ পৰ্বতক দাঙি আনি শিৱ-সাগৰত পেলাই দিয়া।" বিষ্ণুৰ নিৰ্দেশ আদিশেষে পালন কৰিলে।

মন্থনৰ ফলত যি অমৃত উত্থিত হ'ব, তাৰ এভাগ সমুদ্ৰক দিবলৈ দেৱতাসকল সন্মত হ'ল। কিন্তু তথাপি মন্দাৰপৰ্বতেৰে মন্থন নহ'ল। সমুদ্ৰৰ তলদেশৰপৰা পৰ্বতক দাঙি ধৰাৰ প্ৰয়োজন অনুভূত হ'ল। কিন্তু কোনেনো দাঙি ধৰিব?

উপায়হীন দেৱতাসকল পুনৰ বিষ্ণুৰ কাষ চাপিল। বিষ্ণুৱে কূৰ্ম (কাছ) অৱতাৰ ধাৰণ কৰি সমুদ্ৰৰ তলদেশলৈ গৈ পৰ্বতটোক নিজৰ পিঠিত ধাৰণ কৰিলে।

তাৰ পাছত আন এক সমস্যাই দেখা দিলে। এই পৰ্বতক মন্থনদণ্ড ৰূপে ব্যৱহাৰ কৰিবলৈ হ'লে ৰছী লাগিব। ৰছী ক'ত পোৱা যাব? তেতিয়া বাসুকিয়ে নিজক মন্থনদণ্ডৰ ৰছী হিচাপে উৎসৰ্গ কৰিলে।

বহুকাল ধৰি মন্থনৰ অন্তত ক্ষীৰ সাগৰৰ বুকুত অমৃতৰ পৰিবৰ্তে বিষ উত্থিত হ'ল। আৰু এই বিষ দাবানলৰ দৰে চাৰিওফালে বিয়পি পৰিল।

এই ভয়াবহ অৱস্থালৈ লক্ষ্য কৰি দেৱতা আৰু দানৱসকলো হতভম্ব হ'ল। কি কৰ্তব্য কোনেও ভাবি নোপোৱা হ'ল। তাত তেতিয়া শিৱ-পাৰ্বতী বহি আছিল। দেৱতাসকলে শিৱক কাবৌ

'হলাহল'

কৰি খাটিলে, "হে দেৱাদিদেৱ! হলাহলৰ (বিষ) প্ৰভাৱত তিনিও লোক বিপদাপন্ন। আমাক এই অৱস্থাৰপৰা উদ্ধাৰ কৰক। আপুনি সমগ্ৰ লোকৰ পৰমেশ্বৰ, আপোনাৰ বাহিৰে আন কোনেও আমাক ৰক্ষা কৰিব নোৱাৰে। ব্ৰহ্মা, বিষ্ণু বা ইন্দ্ৰৰ এই ক্ষমতা নাই।"

এওঁলোকৰ তুৰাৱস্থাৰ কথা শুনি দয়ালু হৈ শিৱ সন্মত হ'ল। তেওঁ পাৰ্বতীক ক'লে, "পাৰ্বতী, মই হলাহল পান কৰি তিনিও লোকক এই বিপদৰপৰা মুক্ত কৰিবলৈ যাম। মোৰ বিষ পানত তুমিও সন্মত হ'বা বুলিআশা কৰিছোঁ।"

শিৱৰ এই পৰোপকাৰৰ প্ৰস্তাৱত পাৰ্বতীয়ে সানন্দে সন্মতি দিলে। তেতিয়া শিৱে তিনিও লোকৰ বিয়পি পৰা বিষ একত্ৰিত কৰি, হাতৰ তলুৱাত লৈ, তেওঁৰ কণ্ঠত ধাৰণ কৰিলে। তাৰ ফলত শিৱৰ অন্য নাম হ'ল নীলকণ্ঠ।

তাৰ পাছত, শিৱে তেওঁৰ কণ্ঠত সমস্ত হলাহল (বিষ) ধাৰণ কৰাৰ পাছত, দেৱতা আৰু দানৱসকলে পুনৰ মহানন্দে মন্থন কৰাত লাগিল। সেই ক্ষীৰসাগৰৰপৰা তেতিয়া কামধেনু উত্থিত হ'ল। ঋষিগণে কামধেনু লৈ গ'ল। মন্থন চলি থাকিল। এইবাৰ উত্থিত হ'ল উচ্চৈঃশ্ৰৱা নামৰ এক অপূৰ্ব সুন্দৰ শ্বেত অশ্ব।

তাৰ পাছত বহু কাল ধৰি মন্থনৰ ফলত ক্ষীৰ সাগৰৰপৰা ওলাল ঐৰাৱত নামৰ শ্বেতহস্তী। এই হস্তীৰ দাঁত আছিল চাৰিটা। তাৰ পাছত উত্থিত হ'ল পাৰিজাত। আৰু পাৰিজাতৰ পাছত উত্থিত হ'ল অপ্সৰাসকল।

তাৰ পাছত—দেদীপ্যমান আলোকৰ মাজত লক্ষ্মীদেৱীয়ে দেখা দিলে। লক্ষ্মীয়ে নিজেই বিষ্ণুৰ বুকুত উপবেশন কৰিলে। পাছত ক্ষীৰসাগৰৰপৰা উদ্ভুত হ'ল চন্দ্ৰ।

সদৌ শেষত, সেই অমৃতকলস হাতত লৈ ক্ষীৰসাগৰৰপৰা উত্থিত হ'ল ধন্বন্তৰী।

Sankar

ধন্বন্তৰীৰ হাতৰপৰা অমৃতকলস কাঢ়ি লৈ দানৱইঁত চকুৰ পচাৰ নৌ পৰোঁতেই তাৰপৰা পলাই গ'ল। কিন্তু তাত দানৱইঁতৰ মাজত বিবাদ আৰম্ভ হ'ল।

অমৃতকলস দানৱইঁতে লৈ যোৱাত দুশ্চিন্তাগ্ৰস্ত দেৱতাগণে বিষ্ণুৰ কাষ চপাত বিষ্ণুৱে ক'লে, "ঠিক আছে, মই কৌশলেৰে অমৃতকলস পুনৰ তোমালোকক আনি দিম, দুশ্চিন্তা নকৰিবা।"

বিষ্ণুৱে মোহিনীৰূপ ধাৰণ কৰি দানৱইঁতৰ ওচৰলৈ গ'ল। মোহিনীৰূপী বিষ্ণুক দেখি সেই দানৱইঁত মোহমুগ্ধ হৈ পৰিল। দানৱইঁতে মোহিনীক ক'লে, "আমি অমৃত মাজত কাজিয়া কৰি মৰিছোঁ, তুমি ন্যায়বিচাৰ কৰি দিয়া।"

"মোৰ বিচাৰ সকলোৱে মানিবা বুলি কথা দিব লাগিব।" মোহিনীয়ে ক'লে।

মোহিনীৰ প্ৰস্তাৱত দানৱইঁত সন্মত হ'ল। তাৰ পাছত, দেৱতা আৰু দানৱইঁতক বেলেগে বহুৱাই বিষ্ণুৱে পোন প্ৰথমে দেৱতাসকলৰ মাজতে অমৃত বাটিবলৈ ধৰিলে। মোহিনীৰ বিচাৰ মানি ল'ব বুলি কথা দিয়াত দানৱইঁতে একো ক'ব নোৱাৰিলে। দানৱসকলে তেওঁলোকৰ কথাত অটল থাকিল। দেৱতাসকলৰ মাজত অমৃত বাটি দিয়াৰ অন্তত বিষ্ণুৱে তেওঁৰ মোহিনীৰূপ সলাই পেলালে। এইদৰে বিষ্ণুৱে দেৱতাসকলৰ হৈ দানৱসকলক প্ৰৱঞ্চনা কৰিছিল।

বিষ্ণুৱে মোহিনী ৰূপ ধৰি দানৱইঁতক প্ৰবঞ্চিত কৰাৰ কথা শুনি, পাৰ্বতীৰে সৈতে বৃষবাহনত উঠি শিৱ তালৈ আহিল আৰু বিষ্ণুক তেওঁৰ এই কাৰ্য্যৰ বাবে ধন্যবাদ জ্ঞাপন কৰিক'লে, "বিষ্ণু, তোমাৰ মোহিনী ৰূপ মই কিন্তু নেদেখিলোঁ। সেই কথা শুনিহে মই আহিলো।"

বিষ্ণুৱে হাঁহি মাৰি পুনৰ মুহূৰ্ত্ততে মোহিনীৰূপ ধাৰণ কৰিলে। আৰু বিষ্ণুৰ সেই অপূৰ্ব মোহিনীৰূপ দেখি শিৱই

আনকি পাৰ্বতীৰ কথাও পাহৰি মোহিনীৰ পিছে পিছে তীব্ৰ গতিৰে গৈ থাকিল।

এইদৰে, বহুতোপৰলৈকে মোহিনীৰ পিছ খেদি গৈ থকাৰ অন্তত বিষ্ণুৰ ছদ্মৰূপৰ কথা শিৱৰ মনত পৰিল আৰু তেতিয়া সম্বিৎ ঘূৰাই পাই পাৰ্বতীক লৈ কৈলাসলৈ গুচি গ'ল।

প্ৰাচীনকালত বাহুব নামৰ এগৰাকী ৰজা অযোধ্যা নগৰৰমহান শাসক আছিল। এবাৰ হৈহেয়গণে বাহুবক আক্ৰমণ কৰিছিল আৰু বাহুৱে সেই আক্ৰমণ প্ৰতিহত কৰিব নোৱাৰি পত্নীসকলৰে সৈতে অৰণ্যলৈ পলাই গৈছিল।

অৰণ্যত থাকোঁতে বাহুবৰ পত্নী এগৰাকী সন্তানসম্ভৱা হ'ল। তাৰ পাছত বাহুবৰ মৃত্যু হ'ল। সেই পত্নীগৰাকীয়ে গৰ্ভৱতী অৱস্থাতে স্বামীৰ সৈতে সহমৰণলৈ প্ৰস্তুত হৈছিল। তেতিয়া ঔৰ্ব নামৰ মুনি এগৰাকীয়ে তেওঁক নিৰস্ত কৰি ক'লে তেওঁৰ পুত্ৰসন্তান হ'ব।

পুত্ৰসন্তান হোৱাৰ সম্ভাৱনাৰ কথা শুনি সতিনীয়েকহঁতে তেওঁক বিহ খুৱালে। এই বিষৰে সৈতে সেই পুত্ৰই জনম ল'লে। বিষৰে সৈতে জন্ম লোৱাৰ ফলত এই পুত্ৰৰ নাম হ'ল সগৰ।

পৰৱৰ্তীকালত সগৰে বহু দেশ জয় কৰি বিখ্যাত ৰজা হ'ল। ঔৰ্বৰ সহায়ত ৰজা সগৰে বহুতো যজ্ঞ পাতিছিল। তেওঁৰ আছিল দুজনী পত্নী। এজনীৰ নাম সুমতি, আনজনীৰ নাম কেশিনী। কিন্তু তেওঁলোকৰ সতি-সন্ততি নাছিল। সেই দেখি সগৰে নগৰ এৰি অৰণ্যলৈ গৈ ঔৰ্বৰ সৈতে সাক্ষাৎ কৰিলে।

তেওঁৰ দুয়োগৰাকী পত্নীৰ সন্তান হ'ব বুলি ঔৰ্ব মুনিয়ে সগৰ ৰজাক আশ্বস্ত কৰিলে। পিছে—সগৰে পত্নী দুজনীৰে সৈতে কৈলাসলৈ গৈ শিৱলৈ তপস্যা কৰিব লাগিব। ৰজা সগৰে ঔৰ্বই কোৱামতে কাম কৰিলে।

বহু কাল ধৰি তপস্যা কৰাৰ অন্তত শিৱই সগৰক সন্তান লাভৰ বৰ দান কৰিলে আৰু সগৰে পত্নী দুজনীৰ সৈতে পুনৰ ৰাজধানীলৈ উভতি গ'ল।

যথা সময়ত সগৰে দুটি পুত্ৰসন্তান লভিলে। কেশিনীৰ পুত্ৰৰ নাম হ'ল অসমঞ্জস্য। আৰু সুমতিৰ পুত্ৰক দেখি ঔৰ্বই ক'লে, "এই পুত্ৰটিৰ ষাঠি হাজাৰ পুত্ৰ হ'ব। এই পুত্ৰটিক কাটি ষাঠি হাজাৰ টুকুৰা কৰি চৰু এটাৰ ভিতৰত থৈ দিয়া।" ঔৰ্বৰ নিৰ্দেশ মতে কাম কৰা হ'ল। তাৰ পাছত, সেই চৰুটোৰে-পৰাই ষাঠি সহস্ৰ পুত্ৰৰ জন্ম হ'ল।

কেশিনীৰ পুত্ৰ অসমঞ্জস্যই ভয়ানক কাম কৰিছিল। সৰু হৈ থাকোঁতেই সি যিকোনো মানুহক নৈত বুৰাই মাৰিব পাৰিছিল। তাৰ অত্যাচাৰত জৰ্জৰিত হৈ বহুতে তাৰ দেউতাক সগৰৰ ওচৰত অভিযোগ কৰিছিলগৈ। দিন-প্ৰতিদিন এনেবোৰ অভিযোগ শুনি শুনি এদিন ৰজা সগৰে অসমঞ্জস্যক নগৰৰপৰা বিতাড়িত কৰিলে।

তাৰ পাছত ৰজা সগৰে অশ্বমেধ যজ্ঞ পাতি যজ্ঞাশ্বক এৰি দিলে, আৰু যজ্ঞাশ্বৰ পিছে পিছে তেওঁ ষাঠি সহস্ৰ পুত্ৰক গৈ থাকিবলৈ ক'লে।

কিন্তু বহুদূৰ গৈ পোৱাৰ অন্তত অকস্মাৎ যজ্ঞাশ্ব অদৃশ্য হৈ পৰিল। সগৰৰ ষাঠি হাজাৰ পুত্ৰই তন্ন তন্নকৈ যজ্ঞাশ্বক বিচাৰিও বিচাৰি নোপোৱা হ'ল। নিৰুপায় হৈ, ব্যৰ্থ-মনোৰথ পুত্ৰগণে উভতি গৈ পিতৃক সকলো কথা ক'লে। সিহঁতৰ কথা শুনি ৰজা সগৰে ক্ৰুদ্ধ হৈ ক'লে, "সেই যজ্ঞৰ অশ্ব বিনে তোমালোক নগৰলৈ আহিলা কেলেই? তোমালোক এতিয়াই গুচি যোৱা, যজ্ঞৰ অশ্বটোক বিচাৰি পালেহে পুনৰ ইয়ালৈ আহিবা, নচেৎ তোমালোক কদাপি নাহিবা।"



অতকী মহিমা

নাগপুৰৰ এঠাইত এক প্ৰাচীন দুৰ্গা-গোসাঁনীৰ মন্দিৰ আছিল। এই মন্দিৰৰ গোসাঁনীৰ গাত আছিল বিধোবিধ সোণৰ অলংকাৰ। পুৰোহিত শিৱনাথে সদায় আই গোসাঁনীক নিজ হাতেৰে অলংকাৰ পিন্ধাইছিল, সজাই-পৰাই দিছিল বিশেষ বিশেষ উৎসৱৰ দিনত।

কিন্তু পুৰোহিত শিৱনাথৰ পৰিবাৰৰ গাত এপদ আ-অলংকাৰো নাছিল। এই কথাত পৰিবাৰৰ মনত অপাৰ দুখ। এই কথাত কাজিয়া-পেচালো কম হোৱা নাছিল শিৱনাথৰ লগত। এদিন শিৱনাথক তেওঁৰ পৰিবাৰ ৰাগিণীয়ে কৈয়েই পেলালে, "দুৰ্গা গোসাঁনীৰ অলংকাৰ কেইপদ এদিন আমাৰ ঘৰলৈ আনিবাচোন, মই গোঁসানীৰ অলংকাৰখিনি অলপ পিন্ধি চাম।"

পুৰোহিত শিৱনাথে নিজৰ কাণ নিজে ধৰি ক'লে, "তুমি বলিয়া হ'লানে কি? আই গোসাঁনীৰ অলংকাৰ তুমিহেনে পিন্ধিবা! এই কথা আনকি কোৱাটোও যে মহাপাপ নাজানানে কি!"

ৰাগিণীয়ে ৰাগ টানি ক'লে, "তোমাৰ মুখৰপৰা পাপ-পুইণৰ বেদ-বাখান নুশুনো নহয়? আজি ৰাতিৰ ভিতৰত সেই অলংকাৰ কেইপদ নানিছা যদি—সৌ নিমজোপৰ ডালত মই চিপজৰী ল'ম—কৈ থলোঁ কথা এটা। তেতিয়া চাবা—তোমাৰ গোসাঁনী ডাঙৰনে মই।"

ৰাগিণীৰ কথা শুনি শিৱনাথৰ অন্তৰাত্মা কঁপি উঠিল। শিৱনাথে ভাবিলে: তাই যদি সঁচাকৈয়েই চিপজৰী লয়, তেনেহ'লে মইহে লালোডিঙি হ'ম। মোৰ মন্দিৰৰ

অনন্ত মেধি

কাম যাব, টাব্ চিলিঙি পুতিব, সকলোৰে মোক নিন্দিব। এইবোৰ কথা ভাবি শিৱনাথ পুৰোহিতে মন্দিৰত সোমাই দেৱী দুৰ্গাৰ আগত কৰযোৰে থিয় হৈ ক'লে, "আই, মোৰ পৰিবাৰৰ অত্যাচাৰত মই যে জেৰবাৰ হৈছোঁ, জানাই তুমি। তোমাৰ গাত থকা গহনা তাইক লাগে। জানি-বুজি এই দুৰ্ঘোৰ অন্যায় কামটো কৰিম মই। আই, মই একদম নিৰুপায়ত পৰিছোঁ। মোৰ তলে শিল উপৰে কিল। মোক তুমি ক্ষমা কৰাঁ, আই। কেইদিনমানৰ পাছত পুনৰ তোমাৰ অলংকাৰ তোমাৰ গাতে পিন্ধাই দিম, আই।" এই বুলি কৈ, মনৰ সম্পূৰ্ণ অনিচ্ছা সত্বেও পুৰোহিত শিৱনাথে দুৰ্গাৰ অলংকাৰখিনি সোলোকাই লৈ, ঘৰলৈ বুলি খোজ ল'লে।

*

এনেতে আন এগৰাকী সাধাৰণ দেৱীয়ে দুৰ্গা গোসাঁনীক ক'লেহি, "এয়ানো কেনেকুৱা কাণ্ড! তোমাৰ অলংকাৰ কটাৰ পো পুৰোহিতে লৈ যায়—আৰু তুমি মনে মনে বৈ আছা!"

দুৰ্গা গোসাঁনীয়ে হাঁহি মাৰি ক'লে, "শিৱনাথ হ'ল মোৰ প্ৰকৃত ভক্ত। সি মোৰপৰা আগতীয়াকৈ ক্ষমা খুজি লৈছে। আৰু, মোৰ অলংকাৰখিনি দুই চাৰিদিনৰ অন্তত পুনৰ ঘূৰাই দিবহি বুলিও কৈছে। এতেকে—এই কামৰ বাবে মই অনাহকত শিৱনাথক দূষিব নোৱাৰো। শিৱনাথৰ পৰিবাৰে যদি আৰু ঘূৰাই নিদিয়ে, তেতিয়া যি কৰিবলগীয়া কৰিম।"

অলংকাৰৰ টোপোলাটো লৈ মন্দিৰৰ-পৰা ওলাই যাবলৈ ধৰোঁতে দুৰ্গা গোসাঁনীৰ শেষৰ কথাখিনি শিৱনাথৰ কাণত পৰিল। ভয় খাই শিৱনাথে পুনৰ কিবা শুনাৰ আশাৰে হাতযোৰ কৰি দেৱীৰ আগত থিয় হৈ থাকিল। কিন্তু দেৱীয়ে আন একো নোকোৱাত, অলংকাৰৰ টোপোলাটো লৈ ঘৰলৈ গুচি গ'ল।

গহনাখিনি দেখি ৰাগিণীৰ গা-মন সাতখন-আঠখন লাগিল। তাই তেতিয়াই গহনাখিনি পিন্ধিলে। তাই ক'লে, "ইমান দিনৰ পাছতহে লখিমীয়ে মোৰ বুলিলে!"

শিৱনাথে ক'লে, "কিন্তু—তিনি-চাৰিদিনৰ অন্ততো যদি গহনাখিনি ঘূৰাই নিদিয়া—চাবা ক'ৰ পানী ক'লৈ যায়। তিনি-চাৰিদিনৰ অন্ততো এইখিনি ঘূৰাই নাপায় যদি—গোসাঁনীয়ে উপযুক্ত ব্যৱস্থা ল'ব বুলি কৈছে।"

যেনিবা জ্বলা জুইতহে ঘিঁউ পৰিল। ৰাগিণীয়ে দাং খাই উঠি ক'লে, "কৈছেহে, তোমাৰ দৰে মূঢ়া আমাৰ হুতুটোক গোসাঁনীয়ে কৈছে এইবোৰ কথা। মই নিদোঁ ঘূৰাই, যি হয় হওক। তেৰোঁ গোসাঁনী, ময়ো ৰাগিণী। দেখা যাব।"

*

শিৱনাথে দুৰ্গা গোসাঁনীক সকলো কথা নিবেদন কৰিলেগৈ। তাৰ পাছত ক'লে, "আই, তাইক যি কৰিব তুমি কৰাঁ, মই আৰু নোৱাৰিছোঁ।"

আনকি চাৰিদিনৰ দিনাও ৰাগিণীয়ে গহনা গাৰপৰা সোলোকোৱাৰ নামকে নকৰিলে। তাই আটাইকেইপদ গহনা গাত পিন্ধি টোপনি গ'ল। মাজনিশা এটা চোৰ সোমালহি শিৱনাথৰ ঘৰত। চোৰটোৱে টোপনিত লাল-কাল দিয়া ৰাগিণীৰ গাৰপৰা গহনাখিনি সোলোকাই লৈ পোনে পোনেই দুৰ্গা গোসাঁনীৰ মন্দিৰলৈ গ'ল। তাক দুৰ্গা গোসাঁনীৰ গহনাখিনিও লাগে।

কিন্তু সি একেলৰে তালৈ গৈ চালে যে দুৰ্গা গোসাঁনীৰ মন্দিৰৰ তলাটো ভঙা, দুৱাৰ মেল খোৱা। সি ভাবিলে : নিশ্চয় ইয়াত আন কোনোবা এটা চোৰেই সোমাইছেহি। সি তাৰ বাঁও হাতত গহনাৰ টোপোলা আৰু সোঁহাতত লাঠি এডাল লৈ মেকুৰী খোজেৰে এখোজ দুখোজকৈ আগুৱাবলৈ ধৰোঁতেই আন

চোৰটো মন্দিৰৰ ভিতৰৰপৰা ওলাই আহিল। তাৰ হাততো এডাল লাঠি।

"অ'—তইহে চোৰৰ পো চোৰ! মই আহি নৌ পাওঁতেই তই সোমাইছহি! এতিয়া ল' তোৰ পাওনা—!" এই বুলি কৈ প্ৰথম চোৰটোৱে দ্বিতীয় চোৰটোৰ মূৰত লাঠিৰে জোৰেৰে কোবালে, সিটো চোৰেও একেই কামটি কৰিলে। একে সময়তে দুয়োৰো মূৰত লাঠিৰ কোব পৰিল, দুয়োৰো মূৰ ফাটিল, আৰু দুয়ো অজ্ঞান হৈ মাটিত একেলগে লুটি খাই পৰিল।

*

ইপিনে—ৰাতিপুৱা, সাৰ পাই, ৰাগিণীয়ে ৰাউচি জুৰিলে গহনাৰ শোকত। কথা-কাণ্ডৰ উমান পলকতে লৈ, শিৱনাথে লৰি গ'ল মন্দিৰলৈ। তাত সেই অচেতন চোৰ দুটাক, আৰু এটাৰ কাষত গহনাখিনি পৰি থকা দেখা পাই শিৱনাথে নেদেখা-কৈয়ো ঘটনাৰ কথা বুজিব পাৰিলে।

শিৱনাথে টোপোলাটো খুলি এপদ এপদকৈ গহনাখিনি পুনৰ আই দুৰ্গাৰ গাত পিন্ধাবলৈ ধৰিলে। ঠিক তেতিয়াই ৰাও বান্ধি কান্দি কান্দি ৰাগিণীজনী ওলালহি তাত। তাইক দেখা পায়েই শিৱনাথে কৈ উঠিল, "দেখিলানে আমাৰ গোসাঁনীৰ অতৰ্কী মহিমা! তোমাৰ কথা বাদেই দিয়া—দুটা দগধা চোৰেও আইৰ অলংকাৰখিনি লৈ যাব নোৱাৰিলে!"

*

তেতিয়াহে ৰাগিণীৰ মনত জ্ঞানৰ বেলিয়ে ৰুণ দিলে। সকলো কথাৰ ৰেখ কৰি, তাই আই দুৰ্গাৰ চৰণত দীঘল দিলে আৰু ক'লে, "আই, তোমাৰ মহিমা মই আঁকৰীয়ে কি বুজিম, মোক ক্ষমা কৰাঁ, আই মোৰ!"

এই ঘটনাৰ পাছৰপৰা ৰাগিণীয়ে আৰু কেতিয়াও গহনা বা অন্য কথাতো অন্যায় ৰাগ-জাল কৰা নাছিল।

চাণক্য-চৰিত

সুপ্ৰাচীনকালত চণক নামৰ গাঁৱত চণি নামৰ এজন ব্ৰাহ্মণ আছিল। তেওঁ আছিল জৈন মতাৱলম্বী। ব্ৰাহ্মণৰ পত্নীৰ নাম আছিল চণেশ্বৰী। এওঁলোকৰ পুত্ৰ চাণ্যকই পৰৱৰ্তীকালত সমগ্ৰ ভাৰতবৰ্ষত তথা সমগ্ৰ পৃথিৱীতো এগৰাকী তীক্ষ্ণবুদ্ধি মন্ত্ৰণাবিদ হিচাপে খ্যাতি আৰ্জিছিল।

জন্মৰ লগে লগে চাণকাৰ মুখত দাঁত থকা দেখি ঋষি এগৰাকীয়ে চাণক্য ৰজা হ'ব বুলি কৈছিল। চাণকাৰ পিতৃ চণি আছিল পৰলোক-বিশ্বাসী। তেওঁ ভাবিলে যে চাণক্য ৰজা হ'লে ভোগী তথা বিলাসীহে হ'বগৈ, ঈশ্বৰচিন্তা নকৰিব, পৰলোক বিশ্বাসী নহ'ব। তেওঁ শিশু চাণকাৰ দাঁতবোৰ উপাৰি পেলালে। কিন্তু দাঁত উপাৰি পেলাই অমাতৰ মাত বন্ধ কৰিব পাৰিনে? কেতিয়াও নোৱাৰি।

চাণকাই সমস্ত শাস্ত্ৰ অধ্যয়ন কৰিছিল। ডাঙৰ হৈ তেওঁ এক দৰিদ্ৰ পৰিয়ালৰ কন্যাক বিবাহ কৰাইছিল। কিছুদিনৰ পাছত চাণকাৰ পত্নী তেওঁৰ ভায়েকৰ বিবাহ উপলক্ষে মাকৰ ঘৰলৈ গ'ল। তাত তেওঁৰ অন্যান্য ভনীয়েক-বাই-দেৱেকহঁতো আহিল। কিন্তু বায়েক-ভনীয়েককেইজনীয়ে চাণক্যৰ পত্নীলৈ উপেক্ষাৰ ভাৱ দেখুৱাত তেওঁ গুচি আহিল। চাণক্যই পত্নীৰ মনমৰা হাৱ-ভাৱলৈ লক্ষ্য কৰি সোধাত চাণক্য-পত্নীয়ে তেওঁৰ বায়েকহঁতে ধনৰ গৰ্বত গৰ্বিনী হৈ তেওঁৰ প্ৰতি উপেক্ষা-অৱহেলা প্ৰদৰ্শনৰ বেদনাময় কথাটো ক'লে।

তাৰ পাছত ধনাৰ্জন কৰিবলৈ চাণক্য

'জৈন-পুৰাণ'



ওলাল বিদেশলৈ বুলি। গৈ গৈ পাটলিপুত্ৰ পালেগৈ। পাটলিপুত্ৰৰ ৰজা নন্দই দৰিদ্ৰ ব্ৰাহ্মণসকলক সন্মানে সমাদৰ কৰি উপহাৰাদি প্ৰদান কৰাৰ কথা শুনি, ৰাজসভালৈ গৈ, চাণক্যই ৰাজসভাত থকা আসনবিলাকৰ মাজত আটাইতকৈ ডাঙৰ আসনখনত বহি দিলে। এই আসনখন আছিল মহাৰাজ নন্দৰ আসন।

অলপ পাছত তেওঁৰ পুত্ৰৰ সৈতে মহাৰাজ নন্দ ৰাজসভালৈ আহিল, আৰু তেতিয়া এজনী লিগিৰীয়ে চাণক্যক সেই আসনৰপৰা উঠাই দিলে। এই অপমান পাই চাণক্যই নন্দবংশ ধ্বংস কৰিব বুলি কঠোৰ প্ৰতিজ্ঞা কৰি তৎক্ষণাৎ পাটলিপুত্ৰ এৰি গুচি গ'ল।

গৈ গৈ চাণক্য ময়ূৰ পালকহঁতৰ গাঁও পালেগৈ। তাত গৈ চাণক্যই এটা অদ্ভুত কথা শুনিলে যে—গাঁওবুঢ়াৰ গৰ্ভৱতী জীয়েকে চন্দ্ৰসুধা অৰ্থাৎ জোনৰ সুধা পান কৰিবলৈ ইচ্ছা প্ৰকাশ কৰিছে।

এনে উদ্ভট ইচ্ছা তথা বাসনাৰ কথা শুনি চাণক্যই গাঁওবুঢ়াক কলেগৈ, "আপোনাৰ কন্যাৰ সন্তানটিক লালন-পালন কৰাৰ দায়িত্ব যদি মোক দিয়ে, তেনেহ'লে মই তাইৰ ইচ্ছা পূৰণ কৰাৰ প্ৰতিশ্ৰুতি দিব পাৰোঁ।" গাঁওবুঢ়াই চাণক্যৰ প্ৰস্তাৱ মানি ল'লে।

চাণক্যৰ প্ৰস্তাৱমতে গাঁওবুঢ়াই এটা পঁজাঘৰ সাজি দিলে, আৰু চাণক্যই কাকো একো নোকোৱাকৈ চালৰ ওপৰত বিন্ধা এটা কৰিলে। তাৰ পাছত এনিশা এবাটি গাখীৰ এনেকৈ থৈ দিলে, যাতে চালৰ বিন্ধাইদি চন্দ্ৰৰ পোহৰ গাখীৰৰ বাটিত পৰেহি। তাৰ পাছত, চাণক্যই গাঁওবুঢ়াৰ জীয়েকক মতাই অনাই ক'লে, "এয়া তোমাৰ পৰম আকাংক্ষিত সেই চন্দ্ৰসুধা, তুমি পান কৰা।"

চাণক্যৰ নিৰ্দেশত আগৰেপৰাই এজন মানুহ চালত বহি আছিল। কন্যাজনীয়ে



চন্দ্ৰসুধা পান কৰাৰ লগে লগেই মানুহজনে ফুটাটো বন্ধ কৰি দিছিল। এইজনীৰ গৰ্ভৰপৰা ওপজা ল'ৰাটোৰ নাম—চন্দ্ৰগুপ্ত।

ইতিমধ্যে ধনাৰ্জনৰ বাবে চাণক্যৰ আকৌ ওলাল। বহুদিন ধৰি অ'ত ত'ত ভ্ৰমি, পুনৰ এখন গাঁৱলৈ আহিল। এঠাইত কেইটিমান ল'ৰাই ৰজা-মন্ত্ৰীৰ খেলা খেলি আছিল। ল'ৰাকেইটিৰ মাজত চন্দ্ৰগুপ্তও আছিল এটি; যদিও চণক্যই চন্দ্ৰগুপ্তক চিনি পোৱা নাছিল। কিন্তু চন্দ্ৰগুপ্তৰ তেজোদ্দীপ্ত ভাৱ-ভংগী দেখি তেওঁ চন্দ্ৰগুপ্তক ক'লে, "সঁচাকৈয়েই যদি ৰজা হ'ব খুজিছা, তোমাৰ এখন দেশ তো লাগিব। মোৰ কথা মতে কাম কৰা যদি, তেনেহ'লে এখন দেশৰ ৰজা হ'ব পাৰিবা।" এই বুলি কৈ, চাণক্যই চন্দ্ৰগুপ্তৰ দেউতাকৰ ওচৰলৈ গ'ল আৰু সেই গাঁওবুঢ়াই চন্দ্ৰগুপ্তক চাণক্যৰ হাতত সঁপি দিলে।

চাণক্যৰ হাতত যিখিনি ধন আছিল, তাৰে, তেওঁ সৰুসুৰা সৈন্যবাহিনী এটি গঠন কৰি এদিন পাটলিপুত্ৰ আক্ৰমণ কৰিলেগৈ। কিন্তু পাটলিপুত্ৰৰ সুশৃংখল সেনাবাহিনীয়ে হেলাৰঙে চাণক্য-চন্দ্ৰগুপ্তৰ বাহিনীক খেদি পঠালে।

কিন্তু মহাৰাজ নন্দৰ সৈন্যই চাণক্য আৰু চন্দ্ৰগুপ্তক ধৰি নিবলৈ তন্ন তন্নকৈ বিচাৰি থাকিল। চাণক্য আৰু চন্দ্ৰগুপ্ত এটা পুখুৰী কাষেদি গৈ থাকোঁতে নন্দৰ সৈন্য এটা ঘোঁৰাত উঠি ঢপলিয়াই অহা দেখি চন্দ্ৰগুপ্তক পুখুৰীত নামিবলৈ কৈ, তেওঁ সাধু-সন্ন্যাসীৰ ভাও জুৰি বাটৰ একাষত বহি দিলে।

সেই অশ্বাৰোহী সৈন্যজনে চাণক্যক সুধিলেহি, "এইফালে কাৰোবাক হেঁপাই-ফোঁপাই লৰি যোৱা দেখা পাইছানে?"

চাণক্যই চন্দ্ৰগুপ্তলৈ আঙুলিয়ালে। লগে লগে সৈন্যজন ঘোঁৰাৰপৰা নামিল আৰু তৰোৱালখন পুখুৰীৰ পাৰত থৈ



মোৰ প্ৰতি যেতিয়া ইমানেই আস্থা, চন্দ্ৰগুপ্তক ৰজা পাতিব পাৰি। আৰু মই হ'ম চন্দ্ৰগুপ্তৰ মন্ত্ৰী।

হঠাৎ ঘোঁৰাৰ খুৰাৰ শব্দ উঠাত চাণক্যই দূৰলৈ চাই পঠালে। তেওঁ লগে লগে ঘোঁৰাৰপৰা নামি, ঘোঁৰাটোক এৰি দি, ওচৰত থকা ধোবা এজনক ক'লেগৈ, "হেৰা, ৰজাৰ সৈন্যই তোমাক ধৰি নিবলৈ আহিব ধৰিছে।" কথাটো কাণত পৰাৰ লগে লগেই ধোবাই সাত চেউৰীৰ লৰ দি পলাল। তাৰ পাছত চন্দ্ৰগুপ্তক পানীত নামিবলৈ কৈ চাণক্যই কাপোৰ চাফা কৰাত লাগিল। এই একেই কৌশলেৰে চাণক্যই দ্বিতীয় সৈন্যটোক কচুকটা দিলে।

চন্দ্ৰগুপ্তক ধৰিবলৈ পানীত নামিবলৈ ধৰোঁতেই চাণক্যই একেঘাপে সৈন্যটোক ডুছোৰা কৰি, চন্দ্ৰগুপ্তক লগত লৈ, ঘোঁৰাত উঠি পলাই পত্ৰং দিলে।

ঘোঁৰাৰ পিঠিত বহি চাণক্যই চন্দ্ৰগুপ্তক সুধিলে, "মই যেতিয়া তোমাৰ পিনে আঙুলিয়ালোঁ, আৰু সৈন্যটোৱে তোমাক ধৰিবলৈ গ'ল, তেতিয়া তুমি বাৰু কি বুলি ভাবিছিলানো?"

"গুৰুৰ কৰ্তব্য গুৰুৱে কৰিব, মোৰ কৰ্তব্য মই পালন কৰিম—এই কথাকে ভাবি আছিলোঁ।" চন্দ্ৰগুপ্তই ক'লে।

চন্দ্ৰগুপ্তৰ উত্তৰ শুনি চাণক্যই ভাবিলে:

তাৰ পাছত, ক্ষুধাৰ্ত চাণক্যই বিশেষকৈ চন্দ্ৰগুপ্তক যেনেতেনে খুৱাবলৈ খাদ্য বিচাৰি এটা ঘৰলৈ গৈয়েই থমকি ৰ'ল। ঘৰৰ ভিতৰত এগৰাকী বৃদ্ধাই তেওঁৰ পুত্ৰহঁতক কৈ আছিল, "তোৰ অৱস্থা দেখোন চাণক্যৰ দৰেহে হ'ল!"

এনেহেন ঘোকোট গাঁও এখনত, এগৰাকী বৃদ্ধাৰ মুখত নিজৰ নামটো শুনি, অতিপাত অবাক হোৱা চাণক্যই বৃদ্ধাক এই কথা কোৱাৰ কাৰণ সোধাত বৃদ্ধাই ক'লে, "ভাত খাব লাগিব এফালৰ



পৰা। সি থাপ মাৰি মাজভাগৰপৰা তপতে তপত ভাত মুখত ভৰাই দিলে। তাৰ ফলত তাৰ হাতো পুৰিল, মুখো পুৰিল। চাণক্যয়ো এনেকুৱা কাণ্ড কৰিছিল। সি গোটেইখন দেশ এৰি থৈ হঠাৎ ৰাজধানীত জঁপিয়াই পৰিলগৈ। এইদৰে দেশ দখল কৰিব পাৰিনে? এফালৰপৰা আগুৱাই যাব লাগে।"

বৃদ্ধাৰ কথাখিনি চাণক্যই দলিয়াই নেপেলালে। তেওঁ শিক্ষা ল'লে।

তাৰ পাছত চাণক্যই হিমবৎক দেশৰ ৰজা পৰ্বতৰ লগত সাক্ষাৎ কৰি তেওঁক পাটলিপুত্ৰ আক্ৰমণ কৰিবলৈ উদগালে। বিজয়ী হয় যদি—চাণক্যই ৰজা পৰ্বতক নন্দ সাম্ৰাজ্যৰ অৰ্ধাংশ দিব।

এই চৰ্ত অনুসাৰে চাণক্য আৰু পৰ্বতৰজাই একেলগে মহাৰাজ নন্দৰ ৰাজ্য আক্ৰমণ কৰিলেগৈ। ৰাজ্যৰ এমূৰৰপৰা আক্ৰমণ কৰি গৈ গৈ এখন সৰু নগৰত তেওঁলোকে বাধা পালে। তেতিয়া চাণক্যই এটি কৌশল অৱলম্বন কৰিলে। তেওঁ সন্ন্যাসীৰ ভেশ ধৰি এই নগৰৰ এক মন্দিৰৰ চোতালত বহি থাকিলগৈ। এই মন্দিৰৰ নাম আছিল সপ্ত মাতৃমন্দিৰ। এই মন্দিৰত সাতগৰাকী দেৱীৰ বিগ্ৰহ আছিল। প্ৰজাসকলৰ ধাৰণা আছিল যে সেই সাতগৰাকী দেৱীয়েহে তেওঁলোকৰ নগৰখনক আপদ-বিপদৰপৰা ৰক্ষা কৰি আছে। চাণক্য আৰু পৰ্বতৰজাৰ যৌথ আক্ৰমণেৰে বিপৰ্যস্ত কিছুমান নগৰবাসীয়ে সাধুবেশী চাণক্যক সুধিলেহি, "হে প্ৰভু, আমাৰ আক্ৰমণকাৰীহঁতক আমি কেনেকৈ খেদিব পাৰিম?"

চাণক্যই ক'লে, "এই মন্দিৰক সাৰোগত কৰি যিমান দিন কাল কটাবা, সিমান দিনলৈ খেদিব নোৱাৰিবা। শত্ৰু সৈন্যহঁত নহয়—এই দেৱীকেইগৰাকীয়েই তোমালোকৰ আপদৰ ঘাই।"

কথাটো বায়ুবেগে নগৰত প্ৰচাৰিত

হৈ পৰিল। মান্দৰৰপৰা দেৱী সাতো গৰাকীক উলিয়াই দিয়া হ'ল। লগে লগে চাণক্যই চন্দ্ৰগুপ্ত আৰু পৰ্বতলৈ খবৰ পঠালে। নগৰবাসীসকলে যেতিয়া সাতো গৰাকী দেৱীক উলিয়াই নিঃচিন্ত মনেৰে আনন্দ-উৎসৱ পাতিছিল, ঠিক তেতিয়াই চন্দ্ৰগুপ্ত আৰু পৰ্বতৰ সৈন্যবাহিনীয়ে এই নগৰ আক্ৰমণ কৰি জয় কৰিলে।

তাৰ পাছত চাণক্যই পাটলিপুত্ৰ আক্ৰমণ কৰিলেগৈ। যুদ্ধ কৰোঁতে যিমান কৌশলৰ আৱশ্যক, সকলো প্ৰকাৰৰ কৌশল তেওঁ দ্বিধাহীনভাৱে অৱলম্বন কৰিছিল। পাছত নন্দক বধ নকৰি চাণক্যই ক'লে, "এই ৰাজ্য পৰিত্যাগ কৰি গুচি যোৱা।" এখন ৰথত যিমান সম্পদ বোজাই কৰি নিব পাৰা—লৈ যোৱা।"

চাণক্যৰ নিৰ্দেশমতে নন্দই ৰথত তেওঁৰ দুগৰাকী পত্নী আৰু জীয়েক দুৰ্দৰক বহুৱালে। দুৰ্দৰ আৰু পত্নী দুগৰাকীৰ গাত আছিল বহুমূল্য অলংকাৰাদি। দুৰ্দৰে চন্দ্ৰগুপ্তলৈ চালে, চায়েই থাকিল অপলক দৃষ্টিৰে। তেতিয়া, জীয়েকৰ অৱস্থা অনুধাৰন কৰি নন্দই দুৰ্দৰক ক'লে, "তোৰ যদি ইচ্ছা হৈছে—তই চন্দ্ৰগুপ্তক বিবাহ কৰ, মোৰ আপত্তি নাই।"

পিতৃৰপৰা অনুমতি লাভ কৰি দুৰ্দৰ চন্দ্ৰগুপ্তৰ ৰথত উঠিলগৈ আৰু লগে লগে চন্দ্ৰগুপ্তৰ ৰথত থকা ফুল-পাতৰপৰা নটা পাত খহি পৰিল। এই অমংগলীয়া ঘটনা ঘটা দেখি চন্দ্ৰগুপ্তই দুৰ্দৰক গ্ৰহণ নকৰিবলৈ সিদ্ধান্ত কৰিলে। কিন্তু চাণক্যৰ নিৰ্দেশ অনুসাৰে চন্দ্ৰগুপ্তই দুৰ্দৰক গ্ৰহণ কৰিছিল। চাণক্যই চন্দ্ৰগুপ্তক কৈছিল, "বোপা, তুমি যি ঘটনাক অমংগলীয়া কৈছা, প্ৰকৃতপক্ষে সেয়া মংগলজনক লক্ষণ। তোমালোকে নও পুৰুষ ধৰি দেশ শাসন কৰি থাকিবা—এই নটি পাতে সেই ইংগিতহে দিছে।" [অহা সংখ্যাত সমাপ্ত হ'ব



শাস্তি হ'ল ছাদী

বাছৰা নগৰৰ কতোৱালে এজন যুৱকক ধৰি আনিলে আৰু আমীৰক ক'লে, "এই যুৱক হ'ল এক গভাইত চোৰ। কালি ৰাতি দোপালপিটা বৰষুণ দি থাকোঁতে আমাৰ নগৰৰ অন্যতম ধনী দাউদ খাঁ ছাহাবৰ ঘৰত চুৰি কৰিবলৈ সোমাওঁতে ই হাতে-লোতৰে ধৰা পৰিল।"

কতোৱালৰ কথাত আমীৰে চোৰটোলৈ ঘৃণাৰ দৃষ্টিৰে চায়ো ৰৈ দিলে। কিয়নো, আমীৰে এই যুৱকৰ মাজত চোৰৰ লক্ষণ দেখা নাপালে। তাক দেখি এক বৰ ভদ্ৰ পৰিয়ালৰ তথা অত্যন্ত নম্ৰ ,ল'ৰা যেনহে লাগিছিল।

যুৱকলৈ অলপ পৰলৈ চাই থকাৰ অন্তত আমীৰে সুধিলে, "তুমি চুৰি কৰিবলৈহে দাউদ খাঁ ছাহাবৰ ঘৰত সোমাইছিলানে? সঁচা কথা ক'বা।"

"হঁ।" যুৱকে সবিনয়ে ক'লে।

"তোমাৰ শাস্তি কি জানানে—? তোমাৰ হাত দুখন কাটি পেলোৱা হ'ব।" আমীৰে যুৱকক ক'লে।

যুৱকে প্ৰত্যুত্তৰত একো নক'লে। নিজক নিৰ্দোষ হিচাপে কোৱাৰ, বা দণ্ডৰপৰা ৰেহাই পোৱাৰ আবেদন কৰাৰ কোনো ইচ্ছা যুৱকৰ মাজত লক্ষ্য কৰিব নোৱাৰি বিভ্ৰান্ত আমীৰে কতোৱালক ক'লে, "এই যুৱকক আজি আমাৰ প্ৰধান কাৰাগাৰত ভৰাই থোৱা। কালিলৈ ইয়াক দণ্ডদান কৰা হ'ব।"

*

ৰাতিৰ পৰতে আমীৰ গ'ল বন্দী যুৱকৰ ওচৰলৈ। যুৱকে তেতিয়া গান গাই

'আৰবদেশৰ দাস্তাঁ (সাধু)'



মানলৈ ফাটেকত ভৰাই থ'ম মাত্ৰ। তাৰ পাছত তোমাক মই মুক্তি দিম।"

"আপোনাৰ এই অসীম অনুগ্ৰহৰ কাৰণে মই আপোনৰ ওচৰত চিৰকৃতজ্ঞ থাকিম।" যুৱকে আমীৰক ক'লে।

*

পাছদিনা যে যুৱকে আমীৰৰ কথা মতে কাম কৰিব সেই সম্পৰ্কে আমীৰৰ মনত বিন্দুমাত্ৰ সন্দেহো নাছিল। নিৰ্দিষ্ট সময়ত নিৰ্দিষ্ট ঠাইত যুৱকক লৈ অহা হ'ল। তাত তেতিয়া মানুহৰ দলদোপ-হেন্দোলদোপ। আমীৰে—সকলোটিয়ে শুনিবপৰাকৈ যুৱকক সুধিলে, "তুমি সেই ঘৰত নিশ্চয় আন কিবা উদ্দেশ্যে সোমাইছিলা, চুৰি কৰিবলৈ নহয়, নহয়নে? তুমি কাৰোবাক লগ ধৰিবলৈ গৈছিলা তালৈ, নহয়নে? ডৰ-ভয় এৰি সঁচা কথা কোৱাঁ, যুৱক।"

"সেই ঘৰত মোৰ আন কোনো কাম নাছিল।" যুৱকে ক'লে।

শিকাই-বুজাই দিয়া সত্বেও ঠিক মতে উত্তৰ দিব নোৱৰাত আমীৰে বিৰক্ত হৈ ক'লে, "এই যুৱকৰ হাত দুখন কাটি পেলোৱাঁ।

যুৱকৰ হাত দুখন কাটিবলৈ হাতকটা মানুহটোৱে বিশেষ খড়্গ দাঙি ধৰাৰ

আছিল। যাৰ ভাগ্যত ৰাতিটো পুৱালেই কঠোৰ দণ্ড—তাৰ ডিঙিয়েদিনো গান কেনেকৈ ওলায়—আমীৰে তাৰ তলা-নলা ধৰিব নোৱাৰি যুৱকক ক'লে, "তুমি যে চোৰ নহয়, সেই কথাটো মই নুবুজাকৈ থকা নাই। কিন্তু প্ৰশ্ন কৰা সত্বেও তুমি কিয় উত্তৰ নিদিয়া—মই বুজা নাই। যি কি নহওক, কালিলৈ যিঠাইত তোমাৰ হাত দুখন কটা হ'ব, তাত বহু মানুহ উপস্থিত থাকিব। তাত মই তোমাক পুনৰ প্ৰশ্ন কৰিম আৰু তুমি ক'বা যে তুমি চুৰি কৰিবলৈ সোমোৱা নাছিলা তাত। মই তোমাৰ দণ্ড হ্ৰাস কৰি এমাহ-

লগে লগে এগৰাকী যুৱতী ভিৰ ফালি ফালি আহি যুৱক আৰু হাতকটা মানুহটোৰ মাজত থিয় হৈ আমীৰক ক'লে, "হুজুৰ, যদি হাত কাটিবই লাগে মোৰ হাতকে কটক। এই যুৱকে কোনো অপৰাধ কৰা নাই।" যুৱতীয়ে চিঞৰি চিঞৰি ক'লে।



আমীৰে উচুপি থকা যুৱতীক সুধিলে, "তেনেহ'লে—প্ৰকৃত ঘটনা কী হৈছিল, তুমি ক'বানে আমাক?"

যুৱতীয়ে চকুপানী মচি ক'লে, "বহু বছৰৰ আগতে আমাৰ পৰিয়ালৰ লগত এই যুৱকৰ ঘনিষ্ঠ সম্পৰ্ক আছিল। এই যুৱক যথেষ্ট ধনী। আমাৰ পৰিয়ালৰ বয়সিয়ালসকলে এই যুৱকৰ সৈতে মোৰ ছাদী (বিয়া) পাতিব বুলি ভাবিছিল। কিন্তু পৰৱৰ্তীকালত আমাৰ আৰ্থিক অৱস্থা বেয়া হোৱাত দুয়োখন পৰিয়ালৰ মাজত আগৰ আহ-যাহ দিয়ন-থওন নাইকিয়া হ'ল। সিদিনা ৰাতিৰ পৰতে হঠাৎ বৰষুণ দিয়াত এওঁ আমাৰ ঘৰৰ বাৰান্দাত থিয় হ'লহি আশ্ৰয়ৰ বাবে। মই বিজুলীৰ পোহৰত এওঁক চিনি পাইছিলোঁ; কিন্তু এওঁ আমাৰ ঘৰটো চিনি পোৱা নাছিল। মই দুৱাৰ খুলি দিছিলোঁ, তিমানতে এওঁ বৰষুণত তিতি গৈছিল। মই এওঁক গামোছা দিলোঁ পানীখিনি মচি পেলাবলৈ। তাৰ পাছত, আমি দুয়ো গল্প কৰি থাকিলোঁ। আমাৰ ঘৰৰ সকলোটি তেতিয়া গভীৰ নিদ্ৰাত আচ্ছন্ন। এসময়ত মই এওঁক ক'লোঁ যে এক আঢ্যৱন্ত পৰিয়ালত মোৰ ছাদীৰ যো-জা চলিছে। মোৰ আব্বাজান (দেউতা) যে কাষৰীয়া কোঠাটোত শুই আছে—সেই কথাটোও ক'লোঁ এওঁক। হঠাৎ এওঁ মোক প্ৰশ্ন কৰিলে, 'এই যে মাজনিশা আমি গল্প কৰি আছোঁ যদি তোমালোকৰ ঘৰৰ কোনোবা সাৰ পায় আৰু দেখা পায় — কি হ'ব কোৱাচোন?' মই ধেমালিতে কৈছিলোঁ

যে 'মই তেতিয়া 'চোৰ' 'চোৰ' বুলি চিঞৰিম, আৰু মোৰ ইজ্জৎ ৰক্ষাৰ্থে তুমি এই কথা মানি ল'বা'। তাৰ পাছত বৰষুণ বন্ধ হ'ল আৰু এৰোঁ আমাৰ ঘৰৰপৰা ওলাল। লগে লগে আমাৰ চুবুৰীৰ চকিদাৰ 'চোৰ' 'চোৰ' বুলি চিঞৰি খলক লগালে। আমাৰ ঘৰৰ সকলোটি সাৰ পাই গ'ল। আমাৰ ঘৰৰ প্ৰতিজনেই এওঁক চিনি পায়ো চিনি নোপোৱাৰ ভাও জুৰিলে, কিয়নো, মোৰ আন এজনৰ লগত ছাদী হ'ব, গতিকে এওঁক চোৰ বদনাম দিলেও দিয়ক। আৰু তাৰ পাছত যি হ'ল, আপুনি জানেই……।"

যুৱতীৰ কথা শুনি আমীৰেও চকুপানী মচি তাত উপস্থিত থকা মানুহখিনিক ক'লে, "এই যুৱক অতি ধৈৰ্য্যশীল আৰু সৎ। যিজনীক এসময়ত এওঁ ভাল পাইছিল, সেইজনীৰ ইজ্জৎ ৰক্ষাৰ্থে এওঁ যি ত্যাগলৈ সাজু হৈছিল, দুনীয়াত তাৰ তুলনা নাই। এই যুৱতীৰ ইজ্জতত যাতে কলংকৰ চেকা নপৰে, তাৰ কাৰণে এওঁ হাঁহি হাঁহি নিজৰ হাত দুখন বিসৰ্জন দিবলৈকো সাজু হৈছিল। মোৰ কোনো লড়কী (ছোৱালী) নাই, থকাহেঁতেন, এই সৎ যুৱকৰ লগত ছাদী পাতিলোহেঁতেন মই।"

আমীৰৰ কথা শেষ হোৱাৰ লগে লগে ভিৰ ফালি যুৱতীৰ আব্বাজান ওলাই আহিল আমীৰৰ ওচৰলৈ। আমীৰক কুৰ্ণিছ কৰি তেওঁ ক'লে, "হুজুৰ, মই এই যুৱকৰ লগত মোৰ একমাত্ৰ ছোৱালীজনীৰ যোৰা পাতি দিম। মই যে যুৱকক চিনি নোপোৱাৰ ভাও জুৰিছিলোঁ—তাৰ বাবে মই বাস্তৱিকতে লজ্জিত।"

এই কথা শুনি আমীৰৰ দুচকুৰপৰা পুনৰ চকুলো বৈ আহিল। এই চকুলো আছিল আনন্দৰ চকুলো। সেই দিনাই, স্বয়ং আমীৰৰ তত্ত্বাৱধানত এই যুৱকৰ সৈতে যুৱতীৰ বিয়া হৈ গ'ল।

স্কটলেণ্ডৰ বন-বিৰালী

স্কটলেণ্ডৰ ওখ পাহাৰ আৰু মালভূমিত বনৰীয়া জন্তু-জানোৱাৰবিলাকে চিকাৰ বিচাৰি ঘূৰি ফুৰে। গ্ৰেট বৃটেইনৰ আন কোনো অঞ্চলত যিবোৰ জন্তু বিচাৰি পোৱা টান, সেই বন-বোন্দা বন-বিৰালী স্কটলেণ্ডৰ পাহাৰ আৰু মালভূমিত পৰিলক্ষিত হৈছিল। মানুহ বাস কৰা অঞ্চলত, পাহাৰৰ আশে-পাশে, নৈৰ তীৰত, আনকি বিল-পুখুৰী আদিৰ পাৰতো এই বন-বিৰালী পৰিলক্ষিত হৈছিল।

যিবোৰ বন-বিৰালীক আগতে বৃটেইনৰ বিভিন্ন অঞ্চলত দেখা গৈছিল, মানুহৰ অধিক বসতিৰ কাৰণে সিহঁত ক্ৰমাগত উত্তৰৰ ফাললৈ উচি গ'ল।

বন-বিৰালীবোৰ সাধাৰণতঃ মেকুৰীতকৈ কিছু ডাঙৰ আকৃতিৰ হয়। দেখাত ইহঁত বাঘৰ পোৱালিৰ দৰে। ইহঁতৰ গাৰ বৰণ মটীয়া-বগা আৰু খৈৰী। ইহঁতৰ ঠেং দীঘলীয়া, গাত প্ৰচুৰ নোম, দেহৰ তুলনাত মূৰটো ডাঙৰ, নেগুৰডাল প্ৰায় এমিটাৰ দীঘল, নেগুৰত চাৰি-পাঁচটাকৈ চকাৰ দৰে দাগ থাকে।

এই বন-বিৰালীবোৰ গছৰ খোৰোঙত, পাহাৰৰ অ'ত ত'ত থাকে। ইহঁত ক্ষিপ্ৰ চিকাৰী। অকলেই চিকাৰলৈ ওলায়, ইহঁতে দিনে-নিশাই চিকাৰলৈ ওলায়। নেউল, নিগনি, এন্দুৰ, পাৰচৰাই আদি ইহঁতৰ ঘাই চিকাৰ। চিকাৰৰ আশাত ইহঁতে বহু সময় ধৰি জোপ লৈ বহি থাকে আৰু ছেগ বুজি চিকাৰৰ ওপৰত জঁপিয়াই পৰে। বনত চিকাৰ বিচাৰি নাপালে ইহঁতে পুখুৰীয়াৰপৰ মাছ মাৰি আনি খায়। কেৱল বসন্তকালিহে ইহঁত পানীত নামে।

ইহঁতৰ ভৰিত তীক্ষ্ণ জোঙা নখ আছে। ইহঁতক সদায় ক্ৰুদ্ধ আৰু চিকাৰলৈ সাজু হৈ থকা যেন লাগে। ইহঁতক কেতিয়াও ঘৰচীয়া কৰি তুলিব নোৱাৰি। নিচেই কেঁচুৱা অৱস্থাত ধৰি আনি গড়ালত ভৰাই থৈয়ো মানুহে ইহঁতক সেও মনাব পৰা নাই। খাবলৈ দিওঁতে নখেৰে ছিৰাছিৰ কৰি দিয়ে।



আগতে বন-বিৰালীকো চিকাৰ কৰা হৈছিল। সম্প্ৰতি, ইহঁতৰ বংশ লুপ্ত হওঁ হওঁ হৈছে। এতিয়া আৰু বন-বিৰালী চিকাৰ কৰা নহয়। বন-বিৰালীবোৰে অতি ক্ষিপ্ৰ কেৰ্কেটুৱাকো চিকাৰ কৰিব পাৰে। যি অঞ্চলত বন-বিৰালী থাকে; সেইবোৰ অঞ্চলত কেৰ্কেটুৱাৰ সংখ্যা পাতলি আহে।

CHANDAMAMA

It unfolds the glory of India—both past and present—through stories, month after month.

Spread over 64 pages teeming with colourful illustrations, the magazine presents an exciting selection of tales from mythology, legends, historical episodes, glimpses of great lives, creative stories of today and knowledge that matters.

In 12 languages and in Sanskrit too.

Address your subscription enquiries to:

DOLTON AGENCIES 188 N.S.K. ROAD MADRAS-600 026

ফটো-নামকৰণ প্ৰতিযোগিতা : : পুৰস্কাৰ ৫০ টকা

পুৰস্কৃত নাম ১৯৮৬ চনৰ মে' সংখ্যাত প্ৰকাশিত হ'ব

* ফটো-নামকৰণ দুই-তিনিটা শব্দৰ ভিতৰত হ'ব লাগিব আৰু শব্দ কেইটাৰ মাজত ছন্দগত মিল থাকিব লাগিব। ১৯৮৬ চনৰ মাৰ্চ মাহৰ ২০ তাৰিখৰ ভিতৰত আমাৰ হাতত পোৱাকৈ পঠাব লাগিব। উক্ত তাৰিখৰ পাছত অহা চিঠি গ্ৰহণযোগ্য নহ'ব।
* সৰ্বশ্ৰেষ্ঠ-নামকৰণকাৰীক (দুটা নামকৰণ বাবে) সৰ্বমুঠ ৫০ টকা পুৰস্কাৰ দিয়া হ'ব।
* ফটো-নামকৰণ কেৱল প'ষ্টকাৰ্ডত লিখি তলৰ ঠিকনালৈ পঠাব লাগিব :

ঠিকনা : CHANDAMAMA PHOTO CAPTION COMPETETION. (ASSAMESE)
POST BOX NO. 9116 CALCUTTA-700 016.

১৯৮৬ চনৰ জানুৱাৰি মাহৰ ফটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :

প্ৰথম ফটো : হাঁহিছে দ্বিতীয় ফটো : পাহিয়ে

পুৰস্কাৰ পাওঁতা : জিতেন্দ্ৰ ভৰালী, এম্ ভি ৰোড গুৱালকুছি।

[পুৰস্কাৰৰ ৫০ টকা এই মাহৰ শেষৰ ফালে পঠোৱা হ'ব]

['জানিবলগীয়া'ৰ উত্তৰ]

১। মলগাছ (ম্যাডাগাস্কাৰ) ২। ছিছিলি ৩। ট্ৰিস্টান ডা কুব্হা
৪। তিনিশতকৈয়ো অধিক ৫। ৭১০৭ টা দ্বীপ।

Printed by B.V. REDDI at Prasad Process Private Ltd., 188 N.S.K. Salai, Madras 600 026 (India) and Published by B. VISWANATHA REDDI on behalf of CHANDAMAMA PUBLICATIONS, Chandamama Buildings, Vadapalani, Madras 600 026 (India). Controlling Editor: NAGI REDDI.

The stories, articles and designs contained herein are exclusive property of the Publishers and copying or adapting them in any manner will be dealt with according to law.

Statement about ownership of CHANDAMAMA (Assamese)
Rule 8 (Form VI), Newspapers (Central) Rules, 1956

1. Place of Publication	... 'CHANDAMAMA BUILDINGS' 188 N.S.K. Salai Vadapalani, Madras-600 026
2. Periodicity of Publication	... MONTHLY ... 1st of each calendar month
3 Printer's Name	... B.V. REDDI
Nationality	... INDIAN
Address	... Prasad Process Private Limited 188, N.S.K. Salai Vadapalani, Madras-600 026
4. Publisher's Name	... B. VISWANATHA REDDI
Nationality	... INDIAN
Address	... Chandamama Publications 188 N.S.K. Salai Vadapalani, Madras-600 026
5. Editor's Name	... B. NAGI REDDI
Nationality	... INDIAN
Address	... Chandamama Buildings' 188 N.S.K. Salai Vadapalani, Madras-600 026
6. Name and Address of individuals who own the paper	... CHANDAMAMA PUBLICATIONS PARTNERS 1. B. VENKATRAMA REDDY 2. B.V. SANJAY REDDY 3. B.V. NARESH REDDY 4. B. PADMAVATHI 5. B. VASUNDHARA

I, B. Viswanatha Reddi, hereby declare that the particulars given above are true to the best of my knowledge and belief.

1st March 1986

B. VISWANATHA REDDI
Signature of the Publisher

“অলপ সময় লৈ ভাবি-চিন্তি আজি
তাৰে তোমাৰ খেলাঘৰ লোৱা ভাই সাজি!”

-ফেভিফেইৰী

লৰা-লৰিকৈ কিবা গঢ়িবলৈ
ইটো-সিটোৰে সময় কটাবলৈ
অতিকৈ মজাদাৰ
ফেভিকল এম-আৰ
আমোদেই মাথো মহৎ
হাত বহি গৈ শেষত হবগৈ
এজন ডাঙৰ যন্ত্ৰবিদ।
এয়া মাথো মনোহাৰী খেলনাৰ
বিধে বিধে নমুনা
ঘৰ, দুৱাৰ, ঘোঁৰা, হাতী,
বাঘ আৰু কত'যে কি।
ঘৰ, আলমাৰী, চকী-মেজ
য'তেই লগোৱা
জোৰা হয় বৰ কঠিন
টিকেও বহু বেছি দিন।
নিখুঁত হৈ ৰয়' চিৰকাল
চিৰ সঙ্গী তোমাৰ
ফেভিকল এম-আৰ।

জিম্বো হাতী এটি ধাপে ধপে কেনেকৈ তৈয়াৰ কৰিব, সেই বিষয়ে বিনামূলীয়া তথ্যৰ কাৰণে কুপনখন পঠিয়াওক বা যোগাযোগ কৰক এই ঠিকনাত : ফেভি ফেইৰী পোঃ বক্স ১১০৮৪, বোম্বাই ৪০০ ০২০।

জিম্বোই সকলোবোৰ পেলনীয়া কাগজ সামগ্ৰি লৈ আপোনাৰ কোঠাটো পৰিষ্কাৰকৈ ৰাখিব।

OBM/6379 ASM

জিম্বো হাতী এটি ধাপে ধপে কেনেকৈ তৈয়াৰ কৰিব, পাৰি, সেই বিষয়ে বিনামূলীয়া তথ্যৰ কাৰণে কুপনখন এই ঠিকনালৈ পঠিয়াওক : ফেভি ফেইৰী, পোষ্ট বক্স নং ১১০৮৪, বোম্বাই ৪০০ ০২০।

নাম: __________

বয়স: __________

ঠিকনা: __________

____

চহৰ: __________

ৰাজ্য: __________ পিন: __________

তোমাৰ মাহেকীয়া জাৰ্নেল ফেভিক্ৰাফট পালানে? হয়/নহয় (Ch)

ফেভিকল এম-আৰ
চিন্থেটিক এধেচিভ

উত্তম বস্তু গঢ়িবলৈ হলে উত্তম বস্তু জোৰা দিব লাগে!

® হৈছে 'হাতী-মাৰ্ক' আৰু ফেভিকল হ'ল পিডিলাইট ইণ্ডাষ্ট্ৰীজ প্ৰাঃ লিঃ, বোম্বাই ৪০০ ০২১-ৰ ৰেজিষ্টাৰ্ড ট্ৰেডমাৰ্ক।

নটৰাজ পেন্সিল

বেচিকৈ লিখে, বেচিকৈ চলে